অধ্যায় ৫ ঃ আধুনিক অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য

5.2 পৰিচয়

5.3 অৰুণোদই যুগৰ গদ্য

5.3.1 প্ৰাক্-অৰুণোদই স্তৰৰ গদ্য

5.3.2 অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ স্তৰৰ গদ্য

5.3.3 আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰৰ গদ্য

5.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

5.5 অধিক জানিবলৈ

5.6 অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

5.7 আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া গদ্যৰ জন্ম সম্পৰ্কে ধাৰণা লাভ কৰিব
- বৃটিছ আমোলত কিদৰে আধুনিক অসমীয়া গদ্যৰ প্ৰাৰম্ভ হ'ল তাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মিছনেৰীসকলৰ অসমীয়া গদ্য ৰচনাৰ বৈশিষ্ট্যসমূহ জানিব পাৰিব
- খ্ৰীষ্টিয়ান আৰু অখ্ৰীষ্টিয়ান গদ্যকাৰসকলৰ গদ্যৰীতিৰ বিষয়ে সবিশেষ জানিব পাৰিব
- অৰুণোদইৰ গদ্যৰীতিৰ বিষয়ে ধাৰণা লাভ কৰিব
- প্ৰকৃত আধুনিক অসমীয়া গদ্যৰ সৃষ্টি আৰু বিকাশ সম্পৰ্কে ধাৰণা লাভ কৰিব
- গুণাভিৰাম বৰুৱা-হেমচন্দ্ৰ বৰুৱাৰ গদ্যৰাজিৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ অন্তৰ্গত 'অসমীয়া গদ্য সাহিত্য' পাঠ্যবিষয়ৰ এই পঞ্চম অধ্যায়টোত ঊনবিংশ শতিকাত কিদৰে আধুনিক অসমীয়া গদ্যৰ জন্ম আৰু বিকাশ হ'ল সেই বিষয়ে আলোচনা কৰা হ'ব। ঊনবিংশ শতিকাটো অসমীয়া সাহিত্যৰ বুৰঞ্জীত অৰুণোদই যুগ বুলি খ্যাত। সেয়েহে, অৰুণোদই যুগৰ গদ্য আৰু গদ্যকাৰসকলৰ সবিশেষ এই অধ্যায়টোত বহলাই আলোচনা কৰা হ'ব।

অৰুণোদই পৰ্যন্ত ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত অসমীয়া গদ্যৰ বিকাশৰ পাঁচটা ধাৰা দেখা পোৱা যায়। এই ধাৰাকেইটা হ'ল—

ক) আচহুৱা ভঙ্গীৰ ভাঙনি গদ্য

খ) বাংলা-অসমীয়া মিশ্রিত গদ্য

গ) বঙলুৱা প্রভাৱিত গদ্য

ঘ) মধ্য যুগৰ বুৰঞ্জীৰ পৰম্পৰাগত গদ্য আৰু

ঙ) অৰুণোদই তথা মিছনেৰী গদ্য

এই অধ্যায়ত কোন কোন লেখকৰ গদ্যত উপর্যুক্ত শ্রেণীৰ গদ্যসমূহ বিচাৰি পোৱা যায়, সেইবোৰ উদ্ধৃতিসহ আলোচনা কৰা হ'ব। বৃটিছসকলৰ অসম আগমনৰ লগে লগে অসমীয়া গদ্যৰ স্বৰূপ কেনে ধৰণৰ হ'ল, পৰৱর্তী সময়ত অৰুণোদই আলোচনী প্রকাশ হোৱাৰ লগে লগে অসমীয়া গদ্যৰ প্রকৃতিয়ে কেনে ৰূপ পালে, অসমীয়া বর্ণ বিন্যাস কেনে ধৰণৰ হ'ল আৰু কোন সাহিত্যিকৰ হাতত কেনেকুৱা আৰ্হিৰ গদ্য সৃষ্টি হ'ল সেই বিষয়ে সবিশেষ আলোচনা কৰা হ'ব। পৰৱর্তী সময়ত কিদৰে প্রকৃত আধুনিক অসমীয়া গদ্যৰ ধাৰাৰ আৰম্ভ হ'ল আৰু সেই গদ্যৰ বৈশিষ্ট্যসমূহ এই অধ্যায়ত থূলমূলকৈ আলোচনা কৰা হ'ব।

৫.৩ অৰুণোদই যুগৰ গদ্য

অসমীয়া সাহিত্যৰ বুৰঞ্জীত অৰুণোদই যুগটো সাহিত্যৰ ৰূপান্তৰণৰ যুগ। এই যুগতেই অসমীয়া সাহিত্যই প্রথম আধুনিকতাৰ সাজ পৰিধান কৰিছিল। বৃটিছে অসমত ঔপনিৱেশ বিস্তাৰ কৰাৰ অর্থাৎ 1826 চনৰ আগৰ সময়ছোৱাৰ কেইবাটাও দশক অসমৰ ইতিহাসৰ দুর্ভাগ্যপূর্ণ অন্ধকাৰচ্ছন্ন কাল। 1769 চনৰ পৰা 1806 চনলৈ অসমত আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ শোষণ নীতি, অবিচাৰ আৰু অত্যাচাৰৰ বিৰুদ্ধে ঠায়ে ঠায়ে বিদ্রোহৰ সূচনা হৈছিল। ইতিহাসত এই বিদ্রোহ মোৱামৰীয়া বিদ্রোহ নামে খ্যাত। মোৱামৰীয়া বিদ্রোহৰ পিছত 1817 চনৰ পৰা 1826 চনলৈ তিনিবাৰকৈ হোৱা মান সেনাৰ আক্রমণত অসমীয়া জাতি যেন ক্ষত-বিক্ষত হৈ পৰিল। ৰাজনীতি, অর্থনীতি, ভাষা-সাহিত্য-সংস্কৃতি সকলো থানবান হৈ গৈছিল আৰু সর্বসাধাৰণ প্রজাৰ বিলাই বিপত্তিৰ অন্ত নোহোৱা হৈছিল। এই সময়তে আহোম ৰজা গৌৰীনাথ সিংহই মানৰ আক্রমণ আৰু অত্যাচাৰৰ পৰা নিস্তাৰ পাবলৈ কলিকতাত থকা বৃটিছৰ ওচৰত সহায় বিচাৰে। 1826 চনৰ 24 ফেব্রুৱাৰী তাৰিখে ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয় আৰু অসম মানৰ অত্যাচাৰৰ পৰা মুক্ত হয়। বৃটিছে মানক অসমৰ পৰা খেদিলে ঠিকেই কিন্তু নিজে অসমৰ পৰাআঁতৰি নগ'ল। ক্রমান্বয়ে বৃটিছে অসমত নিজৰ ঔপনিৱেশ স্থাপন কৰিলে আৰু অসমীয়া পৰাধীন জাতিলৈ ৰূপান্তৰিত হ'ল।

বৃটিছ আমোলতÂ1874 চনলৈকে অসমে সুকীয়া প্রদেশৰ মর্যাদা নোপোৱালৈকে অসম বংগ প্রেচিডেন্সিৰ অন্তর্গত আছিল আৰু ঘাইকৈ কলিকতাৰ পৰাই অসমৰ প্রশাসনিক কাম-কাজ নিয়ন্ত্রিত হৈছিল। বৃটিছ প্রশাসনে প্রশাসনিক সুবিধাৰ বাবে একাংশ বাংলা আমোলা আমদানি কৰি 1836 চনৰ পৰা অসমত বাংলা ভাষাতেই কাম-কাজ পৰিচালনা কৰাৰ সিদ্ধান্ত লৈছিল। একে সময়তে অসমৰ ৰেভিনিউ কমিছনাৰ জেনকিন্স চাহাব আৰু উইলিয়াম ৰবিন্সন চাহাবৰ উদ্যোগত 1836 চনৰ পৰা অসমৰ কাছাৰী আৰু বিদ্যালয়তো বাংলা ভাষা জাপি দিয়া হয়।

আনহাতে, অসমত বৃটিছ শাসন প্রৱর্তন হোৱাৰ লগে লগেই অসমত খ্রীষ্টিয়ান মিছনেৰীসকলৰো প্রৱেশ ঘটিল। মিছনেৰীসকলে ভালদৰে অনুভৱ কৰিছিল যে অসমত বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত অসমীয়া ভাষাটোৱেই সংযোগী ভাষাৰ কাম কৰে আৰু অসমীয়া ভাষাৰ অবিহনে ইয়াত ধর্ম প্রচাৰ সম্ভব নহ'ব। তেওঁলোকে ভালদৰে জানিছিল যে থলুৱা ভাষাত ধর্ম সম্পর্কীয় পুথি-পাঁজি প্রকাশ নকৰি বিদেশী বাংলা ভাষাৰ সহায় ল'লে মিছনৰ উদ্দেশ্য সিদ্ধি নহয়। ফলস্বৰূপে, অসমীয়া ভাষাৰ পুনৰ প্রতিষ্ঠাৰ বাবে মিছনেৰীসকল উঠি পৰি লাগিল। সেয়েহে তেওঁলোকে অসমীয়া ভাষাত পুথি ৰচনাৰ কামত হাত দিলে। বৃটিছ বিষয়াৰ পৃষ্ঠপোষকতাত পঢ়াশালি পাতিলে। মিছনেৰীসকলৰ প্রচেষ্টাতে প্রথম অসমীয়া সংবাদ-পত্র *অৰুণোদই* 1946 চনত শিৱসাগৰৰ মিছনেৰী প্রেছৰ পৰা প্রকাশ পালে। এই সময়তে কলিকতাত অধ্যয়নৰত অসমীয়া ছাত্রসকলেও নতুন চিন্তা, জ্ঞান আৰু পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ সৈতে পৰিচিত হৈ উঠিছিল। কলিকতাৰ আধুনিক পৰিৱেশত তেওঁলোকে বুজি উঠিছিল যে অসমীয়া জাতিৰ সর্বতো প্রকাৰৰ বিকাশৰ ক্ষেত্রত জোৰকৈ জাপি দিয়া বিদেশী ভাষাটোৱেই হেঙাৰ স্বৰূপ। মাতৃভাষাৰ শিক্ষা অবিহনে যে অসমীয়া জাতিয়ে আগবাঢ়িব নোৱাৰিব সেই কথা উপলব্ধি কৰিয়েই তেওঁলোকে বৃটিছ প্রশাসনৰ ওচৰত অসমীয়া ভাষাৰ পুনৰ প্রচলনৰ বাবে আর্জি দিলে। পৰৱর্তী সময়ত হেমচন্দ্র বৰুৱা আৰু গুণাভিৰাম বৰুৱাই অসমীয়া ভাষা পুনঃপ্রতিষ্ঠাৰ বাবে প্রচেষ্টা কৰি যায়। অৱশেষত ইংৰাজ চৰকাৰে নিজৰ ভুল বুজি পাই 1873 চনত পঢ়াশালি আৰু কাছাৰীত অসমীয়া ভাষাক পুনৰ প্রতিষ্ঠা কৰি ভাষাটোৰ ন্যায্য স্থান ঘূৰাই দিয়ে। আনন্দৰাম-হেমচন্দ্র-গুণাভিৰাম আৰু মিছনেৰীসকলৰ একান্ত প্রচেষ্টাৰ ফলতেই মৰণমুখী অসমীয়া ভাষাই পুনৰ্বাৰ প্রাণ পালে।



জানি থোৱা ভাল

আনন্দৰামে 1855 চনত *A Few Remarks on Assamese Language and on Vernacular Education in Assam* নামৰ পুস্তিকা এখন ৰচনা কৰে। উক্ত পুস্তিকাখন শিৱসাগৰৰ মিছনেৰী প্রেছৰ পৰা প্রকাশ পায়। পুস্তিকাখনে অসমীয়া ভাষা পুনঃপ্রতিষ্ঠাৰ ক্ষেত্রত বিশেষ ভূমিকা গ্রহণ কৰিছিল। পুস্তিকাখনত অসমীয়া ভাষাৰ স্বতন্ত্রতা,বাংলা ভাষা জাপি দিয়াৰ ফলত হোৱা ক্ষতি আদিৰ বিষয়ে তথ্য সম্বলিত আলোচনা আগবঢ়োৱা হৈছে। পুস্তিকাখনত ফুকনে অসমীয়া ভাষাৰ 62খন পদপুথি আৰু 40খন নাটৰ কথা উল্লেখ কৰিছে। ইয়াৰ বাহিৰেও আনন্দৰামে ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইংৰাজী দুখন অভিধান প্রণয়ন কৰিবলৈ আৰু তাৰ অংশ বিশেষ *অৰুণোদই*লৈ নিদর্শন ৰূপে পঠাইছিল, কিন্তু সেই কার্য সম্পূর্ণ হ'ল নে নাই জনা নাযায়।

পঢ়াশালিত অসমীয়া ভাষাৰ পুনঃপ্রচলন হোৱাত অসমীয়া পাঠ্যপুথিৰ সমস্যাই দেখা দিয়ে। এই সমস্যাও মিছনেৰীসকলেই সমাধান কৰিলে। বাৰেমতৰা, প্রথম কিতাপ, সাধুকথা, প্রথম গণনা, দুতিয়া গণনা আদি পুথিসমূহ প্রণয়ন কৰি অসমীয়া ভাষাৰ পুনৰ প্রতিষ্ঠাত মিছনেৰীসকলে অৱদান আগবঢ়ালে। মিছনেৰীসকলে প্রকাশ কৰা *অৰুণোদই*সংবাদ-পত্রই সুদীর্ঘ কাল চর্চাহীন হৈ থকা অসমীয়া সাহিত্য-চর্চাক এক নতুন ভেটি গঢ়ি দিলে। এই *অৰুণোদই*ৰ ভেটিতেই ক্রমে 1871 চনত আউনীআটী সত্রৰ পৰা *আসাম-বিলাসিনী*, 1882 চনত *আসাম নিউজ*, 1885 চনত *আসাম বন্ধু*আৰু 1886 চনত *মৌ*আদি আলোচনী প্রকাশ হ'বলৈ ধৰে। অসমীয়া ভাষাৰ পুনৰ প্রচলন আৰু হেৰুৱা মর্যাদা পুনৰ উভতাই অনাৰ স্বার্থত অসমপ্রেমী মিছনেৰীসকল আৰু উচ্চশিক্ষিত আগৰণুৱা অসমীয়া ডেকাৰ হাতত যিবোৰ উদ্যোগ লোৱা হৈছিল, সেই উদ্যোগৰ অন্তৰালতে আধুনিক অসমীয়া গদ্যৰো জন্ম আৰু বিকাশ সাধন হৈছিল। এই অধ্যায়টোৰ পৰৱর্তী অনুচ্ছেদবোৰত কাৰ হাতত কি ধৰণে কেনেকৈ অসমীয়া গদ্যই কি ৰূপৰ মাজেৰে বিকাশ লাভ কৰিলে সেই বিষয়ে থুলমূলকৈ আলোচনা কৰা হৈছে।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত 1826 চনৰ পৰা 1898 চনলৈ ৰচিত অসমীয়া সাহিত্য-ৰাজিক অৰুণোদই যুগৰ সাহিত্য বুলি অভিহিত কৰা হৈছে। একেদৰে, 1889 চনৰ পৰা 1940 চনলৈ ৰচিত সাহিত্যৰাজিক *জোনাকী* আলোচনীখনৰ নামেৰে জোনাকী যুগ বুলি অভিহিত কৰা হয়। অৰুণোদই যুগৰ সমস্ত সাহিত্যৰাজিক তিনিটা উপবিভাগত ভাগ কৰি আলোচনা কৰিব পৰা যায়। এই উপবিভাগকেইটা হ'ল—

1] 1826 চনৰ পৰা 1846 চনলৈ প্রাক্-অৰুণোদই স্তৰ।

2] 1846 চনৰ পৰা 1873 চনলৈ অৰুণোদই ঃ অসমীয়া ভাষা পুনঃপ্রতিষ্ঠাৰ স্তৰ আৰু

3) 1873 চনৰ পৰা 1888 চনলৈ আধুনিক অসমীয়া ভাষা-সাহিত্য প্রতিষ্ঠাৰ স্তৰ।

আধুনিক অসমীয়া গদ্যৰ আলোচনা প্রসঙ্গতো অৰুণোদই যুগৰ এই স্তৰকেইটাৰ সময়ছোৱাত অসমীয়া গদ্যৰ কিদৰে ক্রমবিকাশ হ'ল একাদিক্রমে আলোচনা কৰিব পাৰি। তলত প্রতিটো স্তৰৰে গদ্য প্রণেতাসকলৰ বিষয়ে ধাৰণা দিয়াৰ প্রয়াস কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আধুনিক অসমীয়া গদ্যৰ পটভূমি সম্পর্কে চমুকৈ আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

৫.৩.১ প্রাক্-অৰুণোদই স্তৰৰ গদ্য

*অসমীয়া সাহিত্যৰ বুৰঞ্জী*প্রণেতাসকলে 1826 চনৰ পৰা 1846 চনলৈ অর্থাৎ বৃটিছসকল অসমলৈ প্রৱেশ কৰা বর্ষটোৰ পৰা *অৰুণোদই*আলোচনী প্রকাশ হোৱা বর্ষটোলৈ এই বিশ বছৰ কালছোৱাত ৰচিত অসমীয়া সাহিত্যৰাজিক প্রাক্-অৰুণোদই

স্তৰৰ সাহিত্য ৰূপে চিহ্নিত কৰিছে। ঊনবিংশ শতিকাৰ প্ৰথম তিনিটা দশকত কোনো ধৰণৰ গুৰুত্বপূৰ্ণ সাহিত্য ৰচনা হোৱা নাছিল। মাথোন 1813 চনত মিছনেৰীসকলৰ সহায়ত শ্ৰীৰামপুৰ প্ৰেছৰ পৰা আত্মাৰাম শৰ্মাই কৰা বাইবেলৰ অসমীয়া ভাঙনি ধৰ্মপুস্তক পুথিখন প্ৰকাশ পায়। তৃতীয় দশকৰ পিছত 1839 চনত ৰবিন্‌চন চাহাবৰ ইংৰাজী ভাষাত লিখা *অসমীয়া ব্যাকৰণ* পুথিখনপ্ৰকাশ পাইছিল। একেদৰে, 1839 চনত যদুৰাম ডেকাবৰুৱাৰ *অসমীয়া বঙলা অভিধান*, 1840 চনত শ্ৰীমতী কট্টাৰৰ (মিষ্টাৰ কট্টাৰৰ পত্নী) *অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য* আদি ভাষাবিষয়ক গ্ৰন্থ প্ৰকাশ পাইছিল। এই স্তৰত কেইবাখনো বুৰঞ্জী বিষয়ৰ গ্ৰন্থ প্ৰকাশ পাইছিল। 1833 চনত বিশ্বেশ্বৰ বৈদ্যাধিপৰ *বেলিমাৰ বুৰঞ্জী*, 1838 চনত মণিৰাম বৰভাণ্ডাৰ *দেৱানৰ বুৰঞ্জী বিৰেকৰত্ন*, 1844 চনত কাশীনাথ তামুলী ফুকনৰ *অসম বুৰঞ্জী* আদি।উল্লেখযোগ্য যে এই স্তৰতেই 1839 চনত হলিৰাম ঢেকিয়াল ফুকনৰ *আসাম বুৰঞ্জী* গ্ৰন্থখন প্ৰকাশ পাইছিল যদিও উক্ত গ্ৰন্থখন তেওঁ বাংলা ভাষাতহে ৰচনা কৰিছিল। এইদৰে প্ৰাক্‌-অৰুণোদই স্তৰত মুষ্টিমেয় কেইগৰাকী মান দেশী বিদেশী সাহিত্যিকে অসমীয়া সাহিত্যৰ একপ্ৰকাৰ ৰুদ্ধ হৈ পৰা বিকাশৰ যাত্ৰাটোত গতি সঞ্চাৰ কৰাৰ প্ৰয়াস কৰিছিল। তলত এই স্তৰৰ সাহিত্যিকসকলৰ গদ্যৰীতিৰ চমু পৰিচয় আগবঢ়োৱা হৈছে।

আত্মাৰাম শৰ্মা ঃ আত্মাৰাম শৰ্মাই উইলিয়াম কেৰীৰ নিৰ্দেশ মৰ্মে 1913 চনত ইংৰাজী *বাইবেলৰ* (নিউ টেষ্টামেণ্ট) অসমীয়া ভাঙনি কৰিছিল। উল্লেখযোগ্য যে এইখনেই প্ৰথম অসমীয়া মুদ্ৰিত পুথি য'ত আধুনিক অসমীয়া গদ্যৰ প্ৰথমাৱস্থাৰ নিদৰ্শন বিচাৰি পোৱা যায়। এই পুথিখন শ্ৰীৰামপুৰৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশ পাইছিল। একেদৰে শ্ৰীৰামপুৰৰ পৰাই বাইবেলৰ ওল্ড টেষ্টামেণ্টৰ অনুবাদখন 1933 চনত প্ৰকাশ পাইছিল। এইখন অসমীয়া ভাষাৰ দ্বিতীয় মুদ্ৰিত গ্ৰন্থ তথা গদ্যৰ নিদৰ্শন। দুয়োখন গ্ৰন্থৰে নাম দিয়া হৈছিল *ধৰ্মপুস্তক*।

আত্মাৰাম শৰ্মাৰ *ধৰ্মপুস্তকৰ* আখৰৰ গঢ় অসমীয়া সাঁচিপতীয়া পুথিৰ আখৰৰ নিচিনা। আখৰ-জোঁটনি আধুনিক অসমীয়াৰ যথেষ্ট ওচৰ চপা। অসমীয়া তৎসম আৰু তদ্ভৱ শব্দৰ প্ৰচুৰ ব্যৱহাৰ থকা এই পুথিত 'উ'·আৰু 'ঊ', 'চ' আৰু 'ছ'; 'ন' আৰু 'ণ'; 'শ', 'ষ' আৰু 'স' বৰ্ণসমূহৰ প্ৰয়োগ দেখা পোৱা যায়। *ধৰ্মপুস্তকৰ* গদ্যত ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ অসমীয়া কথিত ৰূপৰ উমান পাব পাৰি। অৱশ্যে কথিত ভাষাৰ কায চপা হ'লেও এই গদ্য বুৰঞ্জী আৰু ভট্টদেৱৰ গদ্যৰ সম্পূৰ্ণ প্ৰভাৱমুক্ত নহয়। বুৰঞ্জী আৰু ভট্টদেৱৰ গদ্যত 'পাছে' অব্যয় বাক্যৰ আদিত প্ৰয়োগ কৰি বাক্য আৰম্ভ কৰা নীতি আত্মাৰাম শৰ্মায়ো ব্যৱহাৰ কৰিছে। উদাহৰণ স্বৰূপে—

"এক মানুহৰ দুয় পুতেক আচিল। সৰু পুতেকে আপোনাৰ বাপেকক বুলিলে, হে বোপায় ময় জি ধনৰ ভাগ পাম তাকে মোক দিয়া। তাতে সি আপোনাৰ সম্পতি বাটি সিহঁতক দিলে। অল্পদিনৰ পাচে সৰু পুতেকে আপোনাৰ এটাই ধন অকাৰ্য্যতে ভাঙিলে।

এটাই খানি ঢুকালত পাচে সেই দেশৎ বৰ একাল হল, তেতিয়া সি ভক্ষহিন হবলৈ ধৰিলে। পাচে সি সেই দেশৰ এক গিৰিহতে সৈতে থাকিল গৈ। পাচে গাহৰি ৰাখিবলৈ তেওঁ তাক পথাৰলৈ পঠিয়ালে।"

আত্মাৰাম শর্মাৰ গদ্য মিছনেৰীসকলৰ গদ্যতকৈ কিছু ভিন্ন আছিল। তেওঁৰ গদ্যত অসমীয়া কাৰক আৰু বিভক্তিৰ সুন্দৰ প্রয়োগ দেখা পোৱা যায়। একেদৰে নঞৰ্থক প্রাকৃতিৰো আঁসোৱাহহীন প্রয়োগ তেওঁৰ গদ্যত বিচাৰি পোৱা যায়। অসমীয়া জতুৱা-ঠাঁচৰ সুন্দৰ প্রয়োগো আত্মাৰাম শর্মাৰ গদ্যৰ মনকৰিবলগীয়া বৈশিষ্ট্য। যেনে— হেঁচাহেঁচী, মন কৰ্, কাৰৌকৰি আদি।

অসমীয়া গদ্যৰ পৰম্পৰাত আত্মাৰাম শর্মাৰ গদ্যৰ শৈলী আৰু বর্ণবিন্যাস স্থায়ী হ'ব নোৱাৰিলে যদিও অসমীয়া গদ্যৰ পথাৰত আধুনিকতাৰ বীজ তেওঁৰ *ধর্মপুস্তকৰ্থনৰ* মাজেৰেই অঙ্কুৰিত হৈছিল। বাণীকান্ত কাকতিৰ মতে, "With the publication of the Bible in Assamese prose... the modern period of assamese begins"। **মণিৰাম বৰভাণ্ডাৰ বৰুৱা ঃ** প্রাক্-অৰুণোদই যুগৰ অন্যতম গদ্য লেখক হ'ল মণিৰাম বৰভাণ্ডাৰ বৰুৱা। মণিৰামে 1838 ৰচনা কৰা *বুৰঞ্জী বিবেকৰত্ন* নামৰ অসমৰ বুৰঞ্জী বিষয়ক গ্রন্থখনত অসমীয়া-বাংলা মিশ্রিত গদ্যৰ দৃষ্টান্ত বিচাৰি পোৱা যায়। ইয়াত সংস্কৃত, অসমীয়া মিশ্রিত বাংলা আৰু অসমীয়া—এই তিনিওটা ভাষাৰপ্রয়োগ আছে। অসমীয়া মিশ্রিত বঙলাৰ উদাহৰণ তলৰ দফাটোৰ পৰা বুজিব পৰা যাব—

"মান সমুদ্র হৈতে জে এতদ্দেশীকে উদ্ধাৰ কৰেন এই পুন্যেৰ ফলে ঁইশ্বৰে আকল্পাৱাচ্ছিন্ন অখণ্ডৰাজলক্ষ্মি বর্দ্ধমান কৰ্ন, ওঁ অস্রাৱতি পূৰ পূৰন্দৰেৰ ন্যায় প্রবল প্রতাপ সত্তা কৰ্ন। সন 1825 ইংৰেজি পৰে আসাম দেশ ৰঙ্গপুৰ কিলা দখল হওঁা ৰেপট পঠাই ডেবিড ইষ্কাট সাহাবে ভাটি হৈতে আসীয়া ৰঙ্গপুৰ পহুচি তিন চাৰি দিন থাকি দিখৌনদিৰ মহনাতে জাইয়া মলুকেৰ বন্ধবস্ত কৰেন।"

একেদৰে সংস্কৃত ভাষাৰ প্রভাৱ এনে ধৰণৰ—

"অথ বুৰঞ্জি বিবেক ৰত্ন গ্রন্থে দ্বিতীয় খণ্ডে কামৰূপীয় ব্রাহ্মণাদি নিখিলজাত্যাচাৰ-বিৱেচনং তদ্দেশীয়-ধর্ম্ম প্রচাৰক-সাধুনাং আগমমার্গ প্রদর্শক গোস্বামিনশ্চ বিশিষ্টং জ্ঞানম্ অমাত্যপ্রমুখোত্পত্যাদিকমপি যথামত্যহং ব্যাখ্যাস্যে।"

বুৰঞ্জীখনত অসমীয়া বাংলা মিশ্রিত ৰূপ এটা আছে যদিও স্থানবিশেষে বিশুদ্ধ অসমীয়া গদ্যৰ চানেকিও নথকা নহয়। উদাহৰণ স্বৰূপে—

"পাচে বৰজনা গোহাঞি ভাএক ংদেৰক চাবলৈ বৰদলে গৈই ওচৰতে বহিলগৈই। স্বর্গদেৱৰ লগে দুটা লিগিৰা, শূলপানি বেজ, চাংমাই এটা, বিশ্বনাথ শর্মা, এইকেইজন মাত্র। পাচে দুইকো দুই তামোল দিয়াদি কৰি চাই প্রথম দিনাৰ পাচ দিনা এই সম্ভাষা। পাতে ংদেৱে বুলিলে— 'ককাইদেৱ তুমি ৰজা হোৱা' গোহাঞিদেৱে বোলে, 'মই আগেই ৰজা হুব নোৱাৰিলোঁ এতিয়া কি ৰজা হুম। মনৰ মানহাৰ কাৰণেহে আহিছোঁ।' এই বুলি বৰজনা গোহাঞি ওলাই আহিল।"

মণিৰাম বৰভাণ্ডাৰ দেৱানৰ গদ্য বস্তুনিষ্ঠ, সহজ সৰল আৰু পোনপটীয়া। *বুৰঞ্জী বিবেকৰত্নত* বুৰঞ্জীৰ বিষয়বস্তু থকা হেতুকে ইয়াৰ ভাষা অনাড়ম্বৰপূৰ্ণ আৰু মাজে মাজে কথিত ভাষাৰ ঠাঁচ বিচাৰি পোৱা যায়। পালনীয় আৰু কৰণীয় কৰ্ম কিছুমান নিৰ্দেশ তথা বৰ্ণিত হোৱা বাবে হৰিনাথ শৰ্মাদলৈয়ে এই গদ্যক ব্যৱস্থাপক গদ্যৰ শাৰীত অন্তৰ্ভুক্ত কৰিছে।

কাশীনাথ তামুলী ফুকন ঃ প্ৰাক্-অৰুণোদই কালৰ আন এগৰাকী গদ্য লিখক হ'ল কাশীনাথ তামুলী ফুকন। 1844 চনত তেওঁ প্ৰণয়ন কৰা *আসাম বুৰন্‌জি* পুথিখন শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশ পায়। এইখনেই অসমীয়া ভাষাত ৰচিত প্ৰথম মুদ্ৰিত বুৰঞ্জী। ঐতিহাসিক বিষয়বস্তুৰে ৰচিত তামুলী ফুকনৰ পুথিখনৰ গদ্যৰীতিত পৰম্পৰাগত ঠাঁচ এটা দেখা পোৱা যায়। অতি সামান্য সংখ্যক তৎসম শব্দৰ প্ৰয়োগ হোৱা এই গদ্যত প্ৰচুৰ পৰিমাণৰ আহোম শব্দ বিচাৰি পোৱা যায়। যেনে— মাইহাম, পুথাও, হেঙ্গদান, নিচাও আদি। খুব সম্ভৱ আহোমৰ ইতিহাস সন্নিৱিষ্ট হোৱা বাবেই পুথিখনৰ গদ্যত এই বৈশিষ্ট্য দেখা পোৱা গৈছে। ফুকনৰ গদ্যত কম বেছি পৰিমাণে বাংলা শব্দৰ ব্যৱহাৰো দেখা পোৱা যায়। যেনে—অতএব, তাৰে, পৰে,ও, এবং আদি। একেদৰে হিন্দী আৰু পাৰ্চী শব্দৰ প্ৰয়োগো মাজে মাজে বিচাৰি পোৱা যায়। যেনে— বানাত, এক্তিয়াৰ, কয়দী, কাৰবাৰ আদি। ফুকনৰ গদ্যত বৰ্ণনাৰ সূক্ষ্মতা আছে। গদ্য বিৱৰণমূলক আৰু স্পষ্ট। উদাহৰণ স্বৰূপে—

"চমুআ ফুকন কেইজনাই ঘৰৰ পৰা অহাত আগত ৰুপৰ চুলাৰে পানিজাপি, টুপিজাপি, খেৰ, পাখি-বিচনি, দিঘল নালেৰে ঘুৰনিয়া বিচনি, ৰুপৰ বেৰিৰে লাখুটি, ইয়াকে লৈ আহে। দোলাকাসৰিয়া চৰাৰ টুপৰ চৰাৰ ফুকনে ভৰি ধোআটো খুঁটাৰ নাম পচিম ফালৰ্‌টো খুঁটাৰ গুৰিতে লাখুটি ধুই ভিতৰলৈ জাই; সেই ভৰি ধোআৰ পোনে সেই চৰাৰ পচিম বাৰতে পানিজাপি আৰি থই।"



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ মণিৰাম বৰভাণ্ডাৰ বৰুৱাৰ গদ্যশৈলীৰ চমু পৰিচয় আগবঢ়াওক। (১০০টা শব্দৰ ভিতৰত)

হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱা ঃ অসমীয়া গদ্যৰ ইতিহাসত হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱাৰ এক বিশেষ স্থান আছে। তেওঁৰ সৃষ্টিৰাজি হ'ল *সদৰামীনৰ আত্মজীৱনী* আৰু *আসাম বুৰঞ্জী*। অৰুণোদই যুগৰ ৰচক হৈয়ো তেওঁ *অৰুণোদই* গোষ্ঠীৰ পৰা ফালৰি কাটি আহি *অৰুণোদই*ৰ প্ৰভাৱমুক্ত হৈ থাকে। তেওঁৰ আত্মজীৱনীখনৰ অসমীয়া ভাষা-সাহিত্য আৰু ইতিহাসত এক গুৰুত্বপূৰ্ণ স্থান আছে। প্ৰফুল্ল কটকীৰ মতে অসমত ইংৰাজ শাসন প্ৰৱৰ্তনৰ অব্যবহিত কালত সামাজিক আৰু ৰাজনৈতিক বিধি-ব্যৱস্থাৰসাল-সলনি হোৱাৰ

ফলত অসমীয়া গদ্যই ব্যক্তিবিশেষৰ ৰচনাত কি গঢ় লৈছিল তাৰ প্ৰমাণ *সদৰামীনৰ আত্মজীৱনী*য়ে যোগায়।

মজিন্দৰ বৰুৱাৰ আত্মজীৱনীখনৰ ভাষা আৰু গদ্যৰীতি অসমীয়া ভাষাৰ ক্ৰান্তিকালৰ উল্লেখযোগ্য দৃষ্টান্ত বুলি অভিহিত কৰিব পাৰি। এই ক্ষেত্ৰত বসন্ত কুমাৰ ভট্টাচাৰ্যৰ মত প্ৰণিধানযোগ্য— এফালে পৌৰাণিক আৰু আন ফালে অৰুণোদয় — এই দুই যুগৰ ভাষাৰ মাজত *আত্মজীৱনী*ৰ ভাষাই এটা স্বতন্ত্ৰ গঢ় লৈ তাৰ ঐশ্বৰ্য আৰু বৈশিষ্ট্য প্ৰকাশ কৰিছে।

মজিন্দৰ বৰুৱাই ব্যৱহাৰ কৰা গদ্যৰ কেইটামান ধ্বনিগত প্ৰয়োগৰ নমুনা তলত দেখুৱা হ'ল-

ই > এ	:	সিহেতু > সেহেতু
ই > ঞি	:	মই > মঞি
উ > অ	:	তদুপৰি > তদপৰি
উ > ও	:	কুঁৱৰী > কোঞৰী
ঋ > ই	:	প্ৰভৃতি > প্ৰভিতি
ও > উ	:	আপোনাৰ > আপুনাৰ
ঔ > ও	:	গৌহাটী > গোহাটী
ঐ > অই	:	হৈ > হই, ইত্যাদি।

মজিন্দৰ বৰুৱাই ৰেফ যুক্ত হ'লে প্ৰায়ে ব্যঞ্জনৰ দ্বিত ৰূপ প্ৰয়োগ কৰিছিল। যেনে— পৰ্ব্বত, বিসৰ্জ্জন, পূৰ্ব্ব, শৰ্ম্মা আদি। অধিকাংশ ৰেফ যুক্ত দ্বিত ব্যঞ্জন থকা শব্দসমূহ তৎসম শ্ৰেণীৰ শব্দ। *আত্মজীৱনী*খনত তদানীন্তন কথিত অসমীয়া, বাংলা আৰু হিন্দী-আৰবী-ইংৰাজী আদি ভাষাৰ শব্দৰ প্ৰয়োগ লক্ষ্যণীয়। উদাহৰণ স্বৰূপে—

কথিত অসমীয়া শব্দ— কাপুৰ, বেলা, দাউৰি, ভিজা আদি।

বঙলা ভাষাৰ শব্দ— এবং, ও, একটি, তাৰপৰ আদি।

আৰবী ভাষাৰ শব্দ— কবুল, আদালত, নজৰ, বাতিল আদি।

হিন্দী ভাষাৰ শব্দ— পাশ, কাহা, খাৰা আদি।

ইংৰাজী ভাষাৰ শব্দ— পাৰ্চনেল, ৰেপট, স্কুল, জজ আদি।

মজিন্দৰ বৰুৱাৰ গদ্যৰীতিৰ সৈতে বুৰঞ্জীৰ গদ্যৰ কিছু মিল থকা দেখা যায়। ফলস্বৰূপে, *আত্মজীৱনী*খনৰ গদ্য পোনপটীয়া আৰু চুটি চুটি। তলৰ দৃষ্টান্তটোৱে কথাযাৰ বুজাত সহায় কৰিব—

"মঞি কাছাৰী আহি সকল বৃতান্ত ৰৌলট সাহেবত ক'লোঁ। কাছাৰী তদপৰ বৰখাস্ত হ'ল। তদপৰ মঞি যাই সকল বিষয় কমিচনৰসাহেবত কলোঁ। শুনি পাচে, ফুৰিবলৈ গ'ল।"

পাচে, তাতে আদি শব্দেৰে বাক্য আৰম্ভ কৰা যি ৰীতি গুৰু চৰিতত পোৱা যায়, সেই ৰীতি *সদৰামীনৰ আত্মজীৱনী*খনতো দেখা পোৱা যায়। যেনে—

"পাচে প্ৰাতসে মঞি উঠি চ'ৰাঘৰত বহি, মানুহ পঠাই ঈশৰাম ও মোহন চৌধাৰী ও ক'লীয়া কানাই ও কল্পনাথ প্ৰভিতিক মাতি নি সুধিলোঁ।"

তাতে বাঁৰীয়ে আগে কিছু মোড়ামোড়ী কৰি থাকি কলে, "অমুক বেজেই মোৰ দোষী।"

মজিন্দৰ বৰুৱাই কাছাৰীত নকল নবিছৰ কাম কৰিছিল। কাছাৰীত চৰকাৰী কামত ব্যৱহাৰ হোৱা গদ্য সৰ্বসাধাৰণৰ গদ্যতকৈ ভিন্ন হোৱাতো স্বাভাৰিক। মজিন্দৰ বৰুৱাৰ *আত্মজীৱনীত* কাছাৰীত ব্যৱহৃত গদ্যৰ ঠাঁচ প্ৰচুৰ পৰিমাণে বিচাৰি পোৱা যায়। সেয়ে হ'লেও তেওঁৰ গদ্যৰ ভাষা সহজ-সৰল আৰু স্পষ্ট। অধিকাংশ বৰ্ণনা তথ্যনিষ্ঠ আৰু বাহুল্যবৰ্জিত। গদ্যৰীতি কেতিয়াবা বিবৃতিমূলক, কেতিয়াবা ব্যাখ্যাত্মক আৰু কেতিয়াবা উচ্ছাসপূৰ্ণ। প্ৰত্যক্ষ উক্তিৰ সঘন ব্যৱহাৰ মনকৰিবলগীয়া বৈশিষ্ট্য—

"তদপৰ দিনা সাহেব কাছাৰী নাহিল। দেৱবৰ বৰদলৈ প্ৰধান সদৰামীন ও কেফায়ৎ উল্লা সদৰামীন, ঐ মিথি সাবেহৰ বাঙ্গালায় মিল সাহেবক চালাম দিবৰ গৈছিল। তেওঁলোক দুইজনে আহি, মঞি ৰৌলট সাহেবৰ এজলাচে থাকোতে, ৰেলৰ বাহিৰে থাকি, প্ৰধান সদৰামীনে কলে, "বপা, তোমাক মিল সাহেবে চালাম দি মাতিছে।" এনে কোৱাত, ৰৌলট্ সাহাবে কলে, "যোৱাগৈ।" যাবৰ উদ্যত হৈছোঁ, এনেতে এক চিঠি আৰ্দালী হাতত দি ৰৌলট্ সাহেবৰ পাশ পঠায়। সাহেবে মোত কলে, "মিল সাহেব তোমাক মাতিছে, শীঘ্ৰে যোৱা।"

বসন্ত কুমাৰ ভট্টাচাৰ্য্যই হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱাৰ গদ্য সন্দৰ্ভত মত প্ৰকাশ কৰি কৈছে যে মজিন্দৰ বৰুৱাই প্ৰাচীন অসমীয়া গদ্যৰ ঠাঁচক অনুসৰণ কৰিছিল যদিও তাৰে সৈতে সমকালীন কথিত ৰীতিটোকো সাঙুৰি নিদিয়াকৈ থকা নাছিল, সেইবাবেই বৰুৱাৰ গদ্যৰীতিয়ে এটা সুকীয়া স্বৰূপ পৰিগ্ৰহণ কৰিছে।

এইদৰে প্ৰাক্-আৰুণোদই যুগত মুষ্টিমেয় সাহিত্যিকৰ হাতত অসমীয়া গদ্যৰ আধুনিক ৰূপ এটাৰ উকমুকনি দেখা গৈছিল যদিও এই গদ্যসমূহ পূৰঠ হোৱা নাছিল বা পৰৱৰ্তী কালত এই গদ্য অনুসৰণ নোহোৱা বাবে এই গদ্যবোৰে বিশেষ একোটা ধাৰাৰ সৃষ্টি কৰিব পৰা নাছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ প্ৰাক্-অৰুণোদই স্তৰৰ অসমীয়া গদ্যৰ আখৰ জোঁটনি সম্পৰ্কে আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

৫.৩.২ অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ স্তৰৰ গদ্য

মিছনেৰীসকলৰ উদ্যোগত ১৮৪৬চনৰজানুৱাৰী মাহত শিৱসাগৰৰ পৰা প্ৰথম অসমীয়া সংবাদ-পত্ৰ, আলোচনী *অৰুণোদই*প্ৰকাশ পায়। অসমীয়া মানুহৰ মনৰ মাজত সোমাই খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰাটোৱেই আলোচনীখনৰ মুখ্য উদ্দেশ্য আছিল। যদিও আলোচনীখনে খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰ কৰাত বৰ সফল হ'ব পৰা নাছিল। তথাপি দিনে দিনে

বাঢ়ি যোৱা পাঠকৰ সংখ্যাই মিছনেৰীসকলক যথেষ্ট উৎসাহিত কৰিছিল। ধর্ম প্রচাৰত সফল হ'ব নোৱাৰিলেও *অৰুণোদই*য়ে অসমীয়া সাহিত্যৰ আধুনিকতাৰ ভেটিটো নির্মাণ কৰি তুলিলে। এই আলোচনীৰ জৰিয়তেই অসমীয়া গদ্যই আধুনিক ৰূপ লাভ কৰিবলৈ সক্ষম হয়। আলোচনীখনত প্রকাশ হোৱা বিভিন্ন প্রবন্ধই অসমীয়া গদ্যৰ ভাব প্রকাশৰ স্বৰূপটোক শক্তিশালী কৰি তোলে। *অৰুণোদই*ৰ আগতে যিবোৰ গদ্য প্রকাশ হৈছিল সেইবোৰত অসমীয়া গদ্যশৈলীৰ কিশলয় ৰূপটোহে দেখা পোৱা গৈছিল। কিন্তু, *অৰুণোদই*ত অসমীয়া গদ্যই ক্রমান্বয়ে বিকাশৰ ফালে অগ্রসৰ হৈছিল। *অৰুণোদই*ৰ লেখকসকলক খ্রীষ্টিয়ান আৰু অখ্রীষ্টিয়ান লেখক বুলি দুই ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। তলত অৰুণোদই সংবাদ-পত্রত প্রবন্ধ-পাতি ৰচনা কৰা বিশিষ্ট লেখকসকলৰ গদ্যৰীতিৰ আভাস দাঙি ধৰা হৈছে।

➢ **খ্রীষ্টিয়ান লেখকসকল ঃ**

নাথান ব্রাউন ঃ অসমীয়া ভাষা-সাহিত্যৰ বিপদ কালত নাথান ব্রাউনৰ অক্ষয় কীর্তি হ'ল— *অসমীয়া ভাষাৰ ব্যাকৰণ*খন, যিখন ব্যাকৰণে অসমীয়া ভাষাৰ উচ্চাৰণ ভিত্তিত বানান ৰীতি আৰু গদ্যৰীতিৰ নতুন এটা ধাৰা সৃষ্টি কৰি গ'ল। ব্রাউনে বাইবেলৰ নিউ টেষ্টামেণ্টৰ অসমীয়া ভাঙনি আমাৰ ত্রানকর্তা যিচুখ্রীষ্টৰ নতুন নিয়ম, খ্রীষ্টৰ উপদেশাৱলী আৰু জীৱনী কাহিনী সম্পর্কীয় মার্ক, মাথি, লুক, য়োহানৰ উপদেশবোৰ ভাঙি খ্রিষ্টৰ বিৱৰণ আৰু সুভ বাত্রা, জন্ বুনিয়ানৰ *The Pilgrim's Progress*ৰ অসমীয়া ভাঙনি জাত্রিকৰ জাত্রা আদি খ্রীষ্টিয়ান ধর্মীয় পুথি ৰচনা কৰাৰ লগতে গণনাৰ পুথি (প্রথম, দুতিয়), ভূগোলৰ বিৱৰণ আদি পঢ়াশলীয়া পুথি আদি ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যলৈ অৱদান আগবঢ়াই থৈ গৈছে।

নাথান ব্রাউনৰ গদ্যৰীতিত ইংৰাজী ভাষাৰ সুস্পষ্ট প্রভাৱ দেখা পোৱা যায়। তলৰ উদাহৰণটোলৈ লক্ষ্য কৰিলেই এই কথাৰ উমান পাব পৰা যাব—

"এই জগতৰ অৰন্যৰ মাজত মই ফুৰি জাওঁতে জি এখন ঠাইত এটা গাঁত আছিল, এনে ঠাই পালোঁহি। তাতে পৰি সুই থাকোঁতে এক সামাজিক দেখিলোঁ। সেই সামাজিকত গাত ফটা চটা কাপৰ পিন্ধি, আপোনাৰ ঘৰৰ ফাললৈ পিঠি দি, হাতত এখন পুথি ধৰি, পিঠিত বৰ গধুৰ বোকোচা বন্ধা থিয় হৈ থকা এটা মানুহক দেখিলোঁ। তাক চাই থাকোঁতে পুথি মেলি পর্হিবৰ দেখিলোঁ, আৰু পর্হি চাই সি কঁপি কঁপি কান্দিবলৈ ধৰিলে।"

*বুৰঞ্জী*আৰু *চৰিত পুথি*ত পাচে, তাতে আৰু আদি শব্দেৰে বাক্য আৰম্ভ কৰা ৰীতি ব্রাউনৰ গদ্যৰীতিতো দেখা পোৱা যায়। উদাহৰণ স্বৰূপে—

"পাচে য়িহুদিবিলাকৰ পর্ব ওচৰ হলত, সেই পর্বৰ আগৈএ আপোনাক সুচি কৰিবলৈ অনেক মানুহ গাঁৱৰ পৰা য়িৰুচালম নগৰলৈ আহিল।"

"তাতে য়িচুএ উতৰ কৰিলে, এই উপদেস মোৰ আপোনাৰ ন হই, কিন্তু জি জনে মোক পঠাইচে, তেওঁৰহে।"

"আৰু কোন সময়ত ইস্বৰৰ ৰাজ্য হব, ফিৰুচিবিলাকে এই কথআ সুধিলত তেওঁ উত্তৰ কৰি কলে, ইস্বৰৰ ৰাজ্য দ্রিস্য ৰুপে অহা নাই, এখেত বা সেই খিন্তে দেখা, এনে নু বুলিব, কিয়নো ইস্বৰৰ ৰাজ্য তোমালোকৰ ভিতৰতে আচে।"

নাথানব্রাউনে মানুহে অসমীয়া কওঁতে যিদৰে উচ্চাৰণ কৰে সেইদৰেই শব্দবোৰ লিখিছিল। আখৰ জোঁটনি উচ্চাৰণগত হোৱা বাবে ব্রাউনৰ ভাষা হৈ পৰিছিল সহজ সৰল। যেনে—

"জিবিলাক প্রথমৰে পৰা দেখা সাখি আৰু বাক্যৰ প্রচাৰক হৈছিল, সিবিলাকে সিখ্যা দিয়াৰ দৰে আমাৰ মাজত প্রমান ৰুপে গ্রাজ্য কৰা কথাবিলাকৰ আখ্যান ক্রমেৰে লিখিবলৈ অনেকে উদ্যুগ কৰিলে; এইহেতুকে হে মহা মহিম থিয়ফিল, ময়ো আদিৰে পৰা আটাইতকৈ নিচই ৰুপে জানিলত, তুমি জি জি সিকিলা, তাৰ স্বৰুপ প্রমান জেন পোআ, এই নিমিতে তোমালৈ ক্রমেৰে সেই সকলোকে লিখিবলৈ উচিত দেখিলোঁ।"

এইদৰে নাথান ব্রাউনৰহাতত অসমীয়া গদ্যৰ মিছনেৰী পৰম্পৰা এটা গঢ় লৈ উঠিছিল যি সমস্ত অৰুণোদই স্তৰত বিকশিত হৈ এটা ধাৰালৈ ৰূপান্তৰিত হৈছিল। এই ধাৰা অৰুণোদই কাকতৰ পৃষ্ঠাই পৃষ্ঠাই বিচাৰি পোৱা যায়।

মাইলছ ব্রন্সন ঃ মাইলছ ব্রন্সনৰ উল্লেখযোগ্য কীর্তি হ'ল— *অসমীয়া আৰু ইংৰাজী অভিধান*খন। অভিধানখনত উচ্চাৰণ নীতি অনুযায়ীয়েই আখৰ-জোঁটনি কৰা হৈছে। ব্রন্সনৰ ভাষা আৰু গদ্যৰ ঠাঁচ ইংৰাজীৰ প্রভাৱ মুক্ত নহয়।তলৰ উদাহৰণটোৰে এই কথা বুজিব পৰা যাব—

"সকলো জাতি আৰু মানুহৰ মাজত নিজ মাত্রি ভাসা আদৰনিয়। সেয়ে জিমান কি খিন আৰু অসোভিত নহওক, তেও আপোন ভাসা বুলি নেৰে। ৰন বিগ্রহ, ৰাজ্য ভগা আৰু নতুন ৰাজ্য পতা, এনে দুঘটনাৰ পৰা, বা নানা বিদেসি ভাসা সিকাতে মাত্রি ভাসাক গুচাব নোআৰে। আমাৰ এই অচম দেসত ইয়াৰ প্রমান দেখা গৈচে।"

নিধি লিবাই ফাৰোৱেল ঃ *অৰুণোদই*কাকতত সবাতোকৈ অধিক গদ্য আৰু পদ্য ৰচনা কৰা সাহিত্যিকজনেই হ'ল নিধি লিবাই ফাৰোৱেল।এওঁ *অৰুণোদই*ত ন.ল. আৰু ন.ল.ফ. সংক্ষিপ্ত নামেৰে প্রবন্ধ পাতি ৰচনা কৰিছিল। ফাৰোৱেলৰ *অৰুণোদই*ত প্রকাশ পোৱা তিনিজন ভাইৰ *মিস্যনেৰী জাত্রা*শীর্ষক ভ্রমণমূলক ৰচনাটোৱে প্রথম অসমীয়া ভ্রমণ কাহিনী।

নিধি লিবাই ফাৰোৱেলৰ গদ্যৰীতিত মিছনেৰী পৰম্পৰাৰ ছবি স্পষ্ট ৰূপত দেখা পোৱা যায়। ব্রাউন আৰু ব্রন্সনে অসমীয়া গদ্য ৰচনাৰ যি আর্হি তৈয়াৰ কৰিছিল সেই আর্হিয়েই যেন ফাৰোৱেলে প্রদর্শন কৰিছে। উদাহৰণ স্বৰূপে—

"ইস্বৰে কৰা প্রতিগ্যাৰ কাল জেতিয়া পুৰ হল, তেওঁ আপোন দুত আব্রাহামলৈ পঠাই এই সুভ সম্বাদ জনালে, তোমাৰ ভার্জা চাৰাহে তাইৰ ব্রিধ বয়সতো গর্ভধাৰন হৈ পুত্র প্রসও কৰিব। সেই কথাতেআব্রাহামে বিস্বাস কৰিলে, কিন্তু তেওঁৰ ঘৈনিএকে ন কৰিলে। তাতে দুতে কলে, ইস্বৰে কৰিব নোআৰা এনে কিবা অসাধ্য কৰম আচে নে? তেওঁ জি ৰুপ কলে, সেই ৰুপে আপোন প্রতিজ্ঞা সিধি কৰিব।"

উপর্যুক্ত উদ্ধৃতিটোৰ পৰা অনুমান কৰিব পাৰি যে নিধি লিবাই ফাৰোবেলৰ গদ্যত সৰলতা আৰু প্রাঞ্জলতা দুয়োটা গুণেই আছে। তেওঁৰ গদ্য বর্ণনাধর্মী আৰু ভাষা ওজস্বী।

এ. কে. গার্নি ঃ অৰুণোদই যুগৰ খ্রীষ্টিয়ান লেখকসকলৰ ভিতৰত অন্যতম হ'ল এ. কে. গার্নি। গার্নিয়েই কামিনীকান্তৰ চৰিত্র ৰচনাৰ মাজেৰে পোনপ্রথমে অসমীয়া উপন্যাস ৰচনাৰ শুভাৰম্ভ কৰে। গদ্য ৰচনাৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰাও গার্নিৰ গদ্য অন্য মিছনেৰী লেখকসকলতকৈ বিশুদ্ধ অসমীয়াৰ বেছি ওচৰ চপা। কামিনীকান্তৰ চৰিত্রৰ ভাষা সহজ-সৰল আৰু স্পষ্ট। গার্নিৰ গদ্য সন্দর্ভত বাণীকান্ত শর্মাই মত দিছে যে গার্নিয়ে তেওঁৰ পূর্বসুৰিসকলৰ বানান পদ্ধতিৰ পৰা আঁতৰি আহি পণ্ডিত হেমচন্দ্র বৰুৱা প্রভৃতি অগ্রণী পণ্ডিতসকলে সমর্থন কৰা বানান পদ্ধতিত লিখিছিল। উদাহৰণ স্বৰূপে—

পিতৃ ঃ কামিনীকান্ত, তুমি কেনেকৈ আমাক সকলোকে পৰিত্যাগ কৰি আহিলা ?

পুত্র ঃ বাবা, ময় হলে আপোনা সকলক ত্যাগ কৰা নাই, আপুনি মোৰ যেনে পিতৃ, তেনেই আছে; ময়ো আপোনাৰ যেনে পুত্র তেনেই আছোঁ। আপুনি মোক ঘৰত ৰাখিবলৈ যদি সন্মত হোৱা, ময় আনন্দিত হৈ, আপোনা সকলে সৈতে থাকিম।

গার্নিৰ ৰচনাৰ এটি প্রধান বৈশিষ্ট্য হ'ল বর্ণনা নৈপুণ্য। সূক্ষ্ম বর্ণনা আৰু প্রঞ্জলতা তেওঁৰ গদ্যৰ বিশেষত্ব। তলৰ উদ্ধৃতিটোত গদ্যৰ সেই গুণবোৰ বিচাৰি পাব পাৰি—

"পানীত চৰা চৰাইবোৰে সেই দেশৰ পর্ব্বতবোৰৰ গুহালৈ গৈ বছৰি বছৰি কনি পাৰি থাকে। তেনে দুর্গম ঠাইলৈ মানুহৰ সমাগম নাই, এই হেতুকে তেনেকুৱা কনি পাৰিলে কনিবোৰ ৰক্ষা পোৱাৰ সম্ভও ; কোনোও কাঢ়ি লৈ যাব নোৱাৰে, ইয়াকে মনত ভাবি সাগৰত ফুৰা চৰাইবোৰে তালৈ গৈ কনি পাৰেগৈ।"

গার্নিৰ ৰচনাৰাজিত ইংৰাজী আৰু বাংলা ভাষাৰ প্রভাৱো কম-বেছি পৰিমাণে দেখা পোৱা যায়। ইংৰাজী 'See'ৰ অনুৰূপ অসমীয়া 'দেখা' আদিৰে বাক্যৰ আৰম্ভণি কৰা উদাহৰণ তেওঁৰ গদ্যত বিচাৰি পোৱা যায়। উদাহৰণ স্বৰূপে—

"দেখা, এই পঢ়াশালিৰ পৰীক্ষাৰ কাৰণে আমি কিমান ভাবোঁ, কত্ চিন্তা কৰোঁ।"

"গত ৰাতি জহনী ৰোগত এলোকেশীৰ স্বামী মৰা পৰিছে।"

"ঘৰৰ তিৰতাবিলাকে মাঝে 2 সেই বাড়ীতে ফুৰিবলৈ যায়।"

গার্নিয়ে প্রথম পুৰুষৰ একবচন মই ৰ ঠাইত গার্নিয়ে ময় শব্দটো নিজৰ গদ্যত ব্যৱহাৰ কৰিছে। একেদৰে ৱ-ৰ ঠাইত ও আৰু য়ে-ৰ ঠাইত এ ব্যৱহাৰ কৰাৰ উদাহৰণ আছে। গদ্যৰ মাজে মাজে ক্ষ ৰ ঠাইত খ, জৰ ঠাইত ঝ ব্যৱহাৰ কৰিছে। যেনে—

স্বভাৱ > স্বভাও, অভাৱ > অভাও, অসম্ভৱ > অসম্ভও

ৰাতিয়ে > ৰাত্রিএ, যীশুয়ে > য়ীশুএ আদি।

ক্ষমা > খেমা, পৰীক্ষা > পৰীখা

মাজ > মাঝ, বুজিছো > বুঝিছো আদি।



অগ্রগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ নাথান ব্ৰাউনৰ গদ্যৰীতিৰ চমু পৰিচয় দিয়ক। (100টা শব্দৰ ভিতৰত)

***অৰুণোদই*ৰ গদ্যৰীতিৰ বিশেষ বৈশিষ্ট্যসমূহ ঃ** অৰুণোদই কালটো আছিল আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰথমটো খোজ। পাশ্চাত্যৰ ন ন সুবাস আৰু ৰং *অৰুণোদই*ৰ মাজেৰেই অসমীয়া ভাষা-সাহিত্যলৈ আমদানিকৃত হৈছিল। অসমীয়া জন-জীৱনলৈ *অৰুণোদই*ৰ সকলোবোৰ অৱদানৰ ভিতৰত অন্যতম অৱদান হ'ল অসমীয়া ভাষাৰ নতুন প্ৰয়োগ আৰু গদ্যশৈলী।অসমীয়া ভাষাৰ ইতিহাস প্ৰণেতা মহেশ্বৰ নেওগৰ মতে, "বেপ্তিষ্টসকলে অসমীয়া ব্যাকৰণ, অভিধান, পঢ়াশলীয়া পুথি, জ্ঞান-বিজ্ঞানৰ পুথি লিখিআৰু প্ৰকাশ কৰি,আলোচনী-তথা-খবৰ কাগজৰ উৎকৃষ্ট নিদৰ্শন *অৰুণোদই* ত্ৰিশ বছৰ কালৰ অধিক চলাই,পঢ়াশালি-আদালতত অসমীয়া ভাষাৰ হেৰোৱা ঠাই পুনৰুদ্ধাৰৰ যুঁজত প্ৰথম আৰু শক্তিশালী যুঁজাৰু হৈ, অসমীয়া লেখকক নতুন অসমীয়া ভাষা লিখাত কলম ধৰাই, অসমীয়া শব্দাৱলীত ইংৰাজীৰ সম্ভাৰআৰু অসমীয়া বাক্য-ৰীতিত ইংৰাজী প্ৰভাৱ সুমুৱাই অসমীয়া ভাষাক মৃতসঞ্জীৱনীৰে নতুন জীৱন দিলে, আধুনিক সাহিত্য-সৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত প্ৰথম নাঙল চোঁচৱালে আৰু, আটাইতকৈ ডাঙৰ, অসমীয়া মানুহক আত্মপ্ৰত্যয় শিকালে।"

অৰুণোদই যুগত ইংৰাজী শিক্ষা গ্ৰহণ কৰা অসমীয়া ডেকা আৰু মিছনেৰীসকলৰ হাতত যি গদ্য গঢ় লৈ উঠিছিল সেই গদ্যৰ বুকুতেই বিশুদ্ধ আধুনিক আধুনিক গদ্যৰ বীজটো নিহিত হৈ আছিল। কিয়নো অৰুণোদই যুগতেই অসমীয়া গদ্যই পূৰ্বৰ ধৰ্মীয় ভাবাপন্ন অনুভূতি পৰিত্যাগ কৰি জটিল ভাব-বিষয় প্ৰকাশক যুক্তিনিষ্ঠ গদ্যৰ আকাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। বিশিষ্ট অসমীয়া নাট্যকাৰ চন্দ্ৰধৰ বৰুৱাৰ ভাষাত ক'বলৈ গ'লে, "সেই যুগে অসমীয়া লিখাক ন-কৈ এটা গঢ় দিলে, লিখাৰ নতুন আৰ্হি গঢ়ি তুলিলে আৰু নতুন যুগৰ উপযোগী নতুন সাজৰ সাহিত্যৰ পাতনি পাতিলে। সেইবাবেই কালক্ৰমত আকৌ পৰিৱৰ্তিত হৈ আজিকালিৰ ঠাঁচত পৰিণত হৈছেহি। আজিকালিৰ অসমীয়া লিখাৰ যিটো ঠাঁচ, সি মাত্ৰ সেই অৰুণোদই যুগীয়া ঠাঁচৰহে পৰিৱৰ্ধিত নতুন সংস্কৰণ। অৰুণোদই যুগৰ লিখা অতি নিভাঁজ, নিমজ আৰু নিয়াৰি। সি হাবিত ফুলা বনফুলৰ দৰে বা ফুলৰ পাহিত পৰা নিয়ৰৰ টোপাৰ দৰে নিৰ্মল, সৰল, শুৱলা আৰু মনোহৰ।"

অৰুণোদই যুগত মিছনেৰীসকলৰ হাতত গঢ় লৈ অসমীয়া গদ্য শিৱসাগৰৰ অসমীয়া কথিত ৰূপটোৰ আলমতেই গঢ় লৈ উঠিছিল। কথিত অসমীয়া ভাষাক আশ্ৰয় কৰি গঢ় লৈ উঠা গদ্যৰাজিত বৰ্ণবিন্যাসৰ ভালেমান বৈশিষ্ট্য লক্ষ্য কৰিব পাৰি। *অৰুণোদই*ৰ গদ্যত স্বৰবৰ্ণ ঈ, ঊ আৰু ঋ-ৰ ব্যৱহাৰ দেখা পোৱা নাযায়। অৱশ্যে কেতিয়াবা কেতিয়াবা

যুক্ত ব্যঞ্জনৰ পিছত ঈ-স্বৰটোৰ প্ৰয়োগ নোহোৱা নহয়। যেনে— শ্ৰীজুত, শ্ৰীমতি আদি। ঙ বৰ্ণৰ একাকী প্ৰয়োগ নাছিল যদিও ঙ-ৰ ঠাইত ঙ্গ যুগ্ম ব্যঞ্জনৰ প্ৰচুৰ ব্যৱহাৰ *অৰুণোদই*ত দেখা পোৱা যায়। যেনে—ফৰিঙ্গ, ডিঙ্গি আদি। ছ ঝ য-বৰ্ণকেইটাৰ 1861 চনৰ আগৰ *অৰুণোদই*ৰ সংখ্যাবোৰত ব্যৱহাৰ দেখা পোৱা নাযায়। য-বৰ্ণটোৰ একাকী প্ৰয়োগ নাছিল যদিও য-কাৰ ৰূপে ইয়াৰ যথেষ্ট ব্যৱহাৰ আছিল। যেনে— বিদ্যা, জোগ্য আদি। শ ষ আৰু স-বৰ্ণকেইটাৰ ভিতৰত কেৱল স-বৰ্ণটোৰে সঘন প্ৰয়োগ হৈছিল যদিও অন্য বৰ্ণ সৈতে যুক্ত অৱস্থাত শ আৰু ষ-বৰ্ণ দুটাৰ প্ৰয়োগ আছিল। যেনে— ব্যাপ্তিষ্ট, শ্ৰীজুত আদি। অসমীয়া ভাষাৰ কথিত ৰূপত হ্ৰস্ব-দীৰ্ঘ স্বৰৰ পাৰ্থক্য নাই বাবে *অৰুণোদই*ৰ ভাষাতো হ্ৰস্ব স্বৰৰেই প্ৰয়োগ অধিক আছিল। ঋ-ৰ ঠাইত ৰি, ই-ৰ আৰু ৰে-ৰ প্ৰয়োগ হৈছিল। একেদৰে কেতিয়াবা ঐ-ৰ ঠাইত এ, ও-ৰ ঠাইত অ, ছ-ৰ ঠাইত চ, ণ-ৰ ঠাইত ন, ঝ, য-ৰ ঠাইত জ, শ ষ-ৰ ঠাইত স ৰ প্ৰচুৰ প্ৰয়োগ হৈছিল। তলৰ উদাহৰণবোৰে প্ৰয়োগসমূহ বুজি পোৱাত সহায় কৰিব—

আ > এ : আধামৰা > এধামৰা

ঈ > ই : দীঘল > দিঘল

ঊ > উ : সূর্য্য > সুৰ্জ

ঋ ৰি, ইৰ > ৰে : পৃথিৱী > প্ৰিথিবি, দৃঢ > দ্রিঢ়, বৃথা > ব্রেথা

ঐ > অ : দৈন্য > দন্য, ভৈয়াম > ভঁয়াম

ও > অ : মৰাটোৰ > মৰাটৰ

ছ > চ : আছে > আচে, বছৰ > বচৰ

ণ > ন : ঘূৰণীয়া > ঘুৰনিয়া, ৰণ > ৰন

ঝ, য > জ : মাঝ > মাজ, যাৰ > জাৰ

শ, ষ > স : দেশ > দেস, হর্ষ > হর্স

(শ ষ-ৰ ঠাইত কোনো কোনো শব্দত খ্য খে হোৱাও দেখা যায়। যেনে— ৰক্ষা, ৰখ্যা, ক্ষমা খেমা আদি।)

*অৰুণোদই*ত জ্ঞ, হ্য যুক্তাক্ষৰবোৰ একাদিক্ৰমে গ্য আৰু জ্য ৰূপে লিখা হৈছিল। যেনে— আজ্ঞা > আগ্যা, গ্রাহ্য > গ্রাজ্য আদি।

অৰুণোদই যুগৰ গদ্যসমূহত থকা কেতবোৰ ৰূপতাত্বিক বৈশিষ্ট্যও মনকৰিব-লগীয়া। এই গদ্যসমূহত নির্দিষ্টতাবাচক প্ৰত্যয় ৰূপে -ট আৰু -টে প্ৰত্যয় বিচাৰি পোৱা যায়। যেনে— মানুহট, লৰাটে আদি। একেদৰে নির্দিষ্টতাবাচক প্ৰত্যয় -খন-ৰ ঠাইত -টা আৰু -জনী-ৰ ঠাইত -টো ব্যৱহাৰ কৰা দেখা যায়। যেনে— এটা সংবাদ-পত্ৰ, মাইকীটো আদি। দ্বিতীয় বিভক্তি -ক-ৰ ঠাইত প্ৰায়ে সপ্তমী বিভক্তি -ত-ৰ প্ৰয়োগ দেখা পোৱা যায়। যেনে— ৰজাত ক'লে।

অৰুণোদই যুগৰ অসমীয়া গদ্যত তৎসম, অর্ধ তৎসম আৰু তদ্ভৱ শব্দৰ লগতে হিন্দী, বাংলা, ইংৰাজী, আৰবী, পার্চী, পর্তুগীজ আদি বিভিন্ন ভাষাৰ শব্দৰ ব্যৱহাৰ হোৱা দেখা যায়। *অৰুণোদই*ৰ গদ্যকাৰসকলৰ এই অভ্যাসে অসমীয়া ভাষাৰ শব্দ সম্ভাৰলৈ নতুন শব্দৰ আমদানি কৰাৰ লগতে ভাষাটোৰ প্রকাশিকা শক্তি সবল কৰাত অৰিহণা যোগালে বুলি ক'ব পাৰি। উপেন্দ্রনাথ গোস্বামীৰ মতে, "অৰুণোদই যুগতে বিভিন্ন দেশী-বিদেশী ভাষাৰ শব্দ-গ্রহণ আৰু আৱশ্যকতা অনুযায়ী শব্দ-নির্মাণ-ৰীতিৰ যি ব্যৱস্থা লোৱা হ'ল, সিয়ে ভৱিষ্যতৰ অসমীয়া ভাষাৰ সুপ্রতিষ্ঠাৰ বাট মুকলি কৰি তুলিলে।" *অৰুণোদই*ৰ গদ্যসমূহত থকা শব্দসম্ভাৰৰ সামান্য উদাহৰণ তলত উল্লেখ কৰা হ'ল—

তৎসম শব্দ ঃ স্বামি, ৰাজ্য, সুন্দৰ, মগ্ন, ইস্বৰ আদি।

অর্ধ তৎসম ঃ গিয়ান, ধৰম, সবদ, অগিয়ানি, কৰম আদি।

তদ্ভৱ ঃ দুপৰ, ইচা, দখিন, পচিম আদি।

কামৰূপী কথিত অসমীয়াৰ শব্দ ঃ চলি, ডিমা, তিৰি, আতা আদি।

ইংৰাজী ঃ অফিচ, কলেজ, হস্পিটাল, ব্যাপ্তিষ্ট আদি।

হিন্দী ঃ চফেদ, ডৰ, পংখা, মহিনা আদি।

আৰবী ঃ কবৰ, তাৰিখ, সাহাব, খাজনা আদি।

পার্চী ঃ আন্দাজ, চৰম, কার্বাৰ, চহৰ আদি।

পর্তুগীজ ঃ পাদুৰী, গির্জা আদি।

*অৰুণোদই*ৰ গদ্যকাৰসকলৰ সবাতোকৈ মন কৰিবলগীয়া দিশটো হ'ল তেওঁলোকে প্রয়োজন সাপেক্ষে কেতবোৰ নতুন শব্দ নির্মাণ কৰি লৈছিল। ইংৰাজীৰ সমান্তৰাল অর্থ বুজাবলৈ অসমীয়া শব্দগোট তৈয়াৰ কৰি নতুন ভাব বুজাবলৈ সেই শব্দবোৰ নিজৰ গদ্যত ব্যৱহাৰ কৰিছিল। তেনে কেতবোৰ শব্দ হ'ল— ধৰমপুথি (Bible), ভাপৰ নাও (Steam Boat), মাজুলি (Island), শিলপানী (Ice), বেজ সাল (Hospital) আদি।

*অৰুণোদই*ৰ খ্রীষ্টিয়ান গদ্যকাৰসকলৰ অধিকাংশৰেই মাতৃভাষা ইংৰাজী আছিল। সেয়েহে তেওঁলোকে ৰচনা কৰা অসমীয়া বাক্যত ইংৰাজী বাক্যৰীতিৰ সুস্পষ্ট প্রভাৱ দেখা পোৱা যায়। বহুবাৰ ইংৰাজী বাক্যৰ হুবহু আক্ষৰিক ৰূপত অনূদিত বাক্যও দেখা পোৱা যায়। বাক্যবোৰ অধিকাংশ ক্ষেত্রতে চুটি চুটি। তলৰ উদাহৰণটোৰে এই কথাষাৰ স্পষ্ট কৰা হ'ল—

"এক দেসৰ মানুহবোৰ অতি বগা, এক দেসৰ বা অতি কলা, আৰু এক দেসৰ বা তাম ৰঙনিয়া, কোনো দেশক ৰজাই কোনো দেসক প্রজাই সাসন কৰে, কোনো দেসত বৰ জাৰ, আৰু কোনো দেস বৰ গৰমি, আৰু এঠাইত বা ইস্বৰক এক দৰে পূজা কৰে, এঠাইত বা আন দৰে পুজা কৰে।"

*অৰুণোদই*ৰ অধিকাংশ বাক্যই চুটি চুটি সৰল বাক্য যদিও স্থানবিশেষে যৌগিক আৰু মিশ্রবাক্যৰ ব্যৱহাৰো গদ্যকাৰসকলে নকৰাকৈ থকা নাই। যেনে—

"নুজিলগু মাজুলিত ইংৰেজি লোকে জি নগৰত নিবাস কৰে, তাতে আদিবাসি আবৰ লোকে মেই মাহৰ 8 তাৰিখত ৰন কৰি 15¼20 মানুহ মাৰিলে।"

"এইসকল গুন কানিৰ পৰা হই বুলি প্রাই সকলোও জানে, তথাপি অগিয়ানিৰ মত হই কানি খাবলৈকো নেৰে, আৰু তাৰ লৰা চোআলিকো সিকাই; এই দৰে জি দেসত কানিয়া সৰহ সেই দেসতে মিচা, অনিয়াই, ভাৰি খোআ, অধৰম সদাই বাৰ্হি গৈচে, কিন্তু ধৰম হলে এফেৰিও নাই।"

কথা-গুৰু-চৰিত আৰু *বুৰঞ্জী*ৰ গদ্যত 'বোলে', 'আৰু', 'পাচে' আদি শব্দেৰে বাক্য আৰম্ভণি কৰা ৰীতি *অৰুণোদই*ৰ গদ্যতো দেখা পোৱা যায়। সতীশ চন্দ্র ভট্টাচার্যই *অৰুণোদই*গদ্যৰ এই বৈশিষ্ট্যক মধ্যযুগীয় অসমীয়া ভাষাৰ ঐতিহ্যৰ ছাপ বুলি অভিহিত কৰিছে। এনে ধৰণৰ কেইটামান বাক্যৰ নমুনা তলত উল্লেখ কৰা হ'ল—

"বোলে হে তিৰি, অনেক নিসা গল অলপমানহে আচে, এই কাৰনে আৰু কিচুমান মন থিৰ কৰি সজ লোকৰ সন্তোস কৰ।"

"আৰু লোৰ এনে এটা বেয়া গুন আচে,কিয়নো তাত মামৰ পৰি লগতেই নষ্ট কৰে।"

"পাচে য়াকোবে তেওঁৰ পুত্রবিলাক কেনে আচে, ইয়াক জানিবৰ ইচা কৰি, তেওঁ য়োচেফক কলে..."

প্রফুল্ল কটকীৰ মতে বুৰঞ্জীৰ গদ্যত থকা ভাব আৰু ভাষাৰ প্রাঞ্জলতা *অৰুণোদই*ৰ গদ্যতো আছে, কিন্তু ইয়াৰ ঠাঁচ বুৰঞ্জীৰ গদ্যৰ নহয়। পূর্বৰতী গদ্যতকৈ ইয়াৰ পৰৱর্তী গদ্যৰ লগতহে এই গদ্যৰ সংযোগ দৃঢ়তৰ। *অৰুণোদই*ৰ ভাষা সংযত, প্রাঞ্জল আৰু প্রকাশভঙ্গী সহজ-সৰল। বর্ণনাধর্মিতা এই গদ্যৰ উল্লেখযোগ্য বৈশিষ্ট্য। *অৰুণোদই*ৰ গদ্যৰ এই বৈশিষ্ট্যসমূহ তলৰ উদ্ধৃতিটোৰে বুজি উঠাত সহজ হ'ব—

"ইগুআনা নামে এবিধ জন্তু, তাৰ অনেক জাত আচে, প্রাই ডেৰ স মান হব। অচম দেসত গুঁই বুলি তাৰে এজাত আচে। তাৰ মঙ্গহ ঠায়ে ঠায়ে লোকবিলাকে খাই। আনেৰিকাৰ মাজ দেসত জি বিধ ইগুআনা থাকে, তাৰ নকচা ওপৰত লিখা আচে। আগৰ কালত দখিন আমেৰিকা আৰু তাৰ ওচৰৰ মাজুলিতো বহু পোআ গৈচিল; এতিয়া মানুহে খোআত তাকৰ হৈ গৈচে। তাৰ গিঘলে প্রাইÃ 3 হাত; গা ডেৰ হাত নেগুৰেই ডেৰ হাত। জেতিয়া তাৰ খঙ্গ উঠে, তেতিয়া তাৰ পিঠিৰ কাঁইতবোৰ সিয়ৰি পৰে, তাৰ টোঁটোলা বৰকৈ ফিকে, নেগুৰ আচাৰিবলৈ ধৰে, আৰু চকু জুই জেন ৰঙ্গা হই, দেখিবলৈ ভয়ঙ্কৰ; তথাপি আঁচোৰাৰ বা কামোৰাৰ বাহিৰে একো কৰিব নোআৰে।"

ফকৰা-যোজনা, জটুৰা-ঠাঁচ, প্রবাদ-প্রবচনেৰে সমৃদ্ধ অৰুণোদই যুগৰ গদ্যৰ অন্যতম বৈশিষ্ট্য হ'ল সংবাদধর্মিতা। এই ক্ষেত্রত হৰিনাথ শর্মাদলৈৰ মন্তব্য প্রণিধানযোগ্য—

"মিছনেৰীসকলৰ অধিকাংশ সাহিত্যকৃতিয়েই আছিল সাংৱাদিক-ৰচনা; সেইবোৰ সৃষ্টি হৈছিল *অৰুণোদই*সংৱাদ-পত্র চলাই ৰখাৰ কাৰণে। বিষয়বস্তু ভেদে ভাষা আৰু ৰচনাৰীতি যিহেতু বেলেগ হয়, সাংৱাদিকতাৰ ভাষা আৰু ৰচনাৰীতিও আন ৰস-সাহিত্যৰ এই দুবিধতকৈ

কিছু বেলেগ। বহির্জগতৰ নানাবিধ বিৱৰণাত্মক বা-বাতৰি বিশেষভৱে সাংৱাদিকতাৰ উপজীব্য। য'ত অনুভূতিৰ গভীৰতা স্বাভাৱিকতে কম, বিশ্বৰ বা-বাতৰি সেই বিৱৰণাত্মক ৰচনাই অৰুণোদই সংৱাদ-পত্ৰ আগুৰি আছিল।"

অৰুণোদই যুগৰ মিছনেৰী আৰু অন্যান্য লেখকসকলৰ হাততেই আধুনিক অসমীয়া গদ্যৰ ধাৰা মুকলি হৈছিল যদিও এই গদ্যৰীতিত অসমীয়া ভাষাৰ মূল কালিকাটো বিচাৰি পোৱা নাযায়। 'ভাসা লিখোতে আখৰৰ জিমান জাতি, তিমানহে লিখিব লাগে' —এই উদ্দেশ্য আগত লৈ গদ্য ৰচনা কৰাৰ বাবে ভাষা ব্যৱহাৰত বিভিন্ন বেমেজালিৰ সৃষ্টি হৈছিল আৰু সেই গদ্যত অসমীয়া ভাষাৰ অবয়ৱ বা স্বৰূপ অপ্ৰকাশিত হৈয়ে ৰৈছিল। ফলস্বৰূপে, অৰুণোদইৰ যোগেদিয়েই আধুনিক অসমীয়া গদ্যৰ শুভাৰম্ভ হয় যদিও এই গদ্যশৈলীয়ে পৰৱৰ্তী কালত বিকাশ লাভ আৰু স্থায়িত্ব দুয়োটাই হেৰুৱালে। অৱশ্যে আধুনিক গদ্যৰ প্ৰথম আৰ্হি ৰূপে এই গদ্যৰ মূল্য চিৰকলীয়া। সেয়েহে হয়তো অৰুণোদইৰ গদ্য সন্দৰ্ভত প্ৰফুল্ল কটকীয়ে মত পোষণ কৰিছে যে *অৰুণোদই*ৰ গদ্য আধুনিক অসমীয়া গদ্যৰ বিকাশত এক উল্লেখযোগ্য পৰ্যায়। *অৰুণোদয়ে* অসমীয়া ভাষা আৰু চিন্তাৰ নতুন দিগন্তৰ সূচনা কৰিলে। অসমীয়া ভাষা সাহিত্যৰ ই এক কালবিজয়ী ঐতিহাসিক শুভাৰম্ভ। নৰ্মান আক্ৰমণৰ পৰিণতি স্বৰূপে ইংলণ্ডৰ ভাষাই অভূতপূৰ্ব প্ৰসাৰ লাভ কৰাৰ দৰেই, *অৰুণোদই*ৰ আবির্ভাৱ আৰু প্ৰচলনেও অসমীয়া ভাষাক নতুন সুঁতিয়েদি বোৱাই দি তাৰ বিকাশ দ্ৰুততৰ কৰিলে।

আগতেই উল্লেখ কৰা হৈছে যে *অৰুণোদই* স্তৰৰ সাহিত্যিকসকলক খ্ৰীষ্টিয়ান আৰু অখ্ৰীষ্টিয়ান তথা অসমীয়া আৰু অনা-অসমীয়া এই দুই ভাগত ভাগ কৰিব পাৰি। নিধি লিবাই ফাৰোৱেলকে আদি কৰি দুই এজনক বাদ দি অন্যান্য সকলো খ্ৰীষ্টিয়ান লেখকেই অনা-অসমীয়া শ্ৰেণীৰ অন্তৰ্ভুক্ত।আনহাতে,অন্যান্য সাহিত্যিক বা লেখকসকল অসমীয়া আৰু অখ্ৰীষ্টিয়ান শ্ৰেণীৰ। গদ্যৰাজিৰ বিশ্লেষণ কৰিলে অনুমান কৰিব পাৰি যে খ্ৰীষ্টিয়ান আৰু অনা-অসমীয়া শ্ৰেণীৰ লেখকসকলতকৈ অসমীয়া লেখকসকলৰ গদ্যশৈলী কিছু পৰিমাণে উন্নত আৰু স্বাভাৱিক ধৰণৰ। মূলতঃ মাতৃভাষা অসমীয়া হোৱা বাবেই অসমীয়া লেখকসকলৰ গদ্যৰাজিত এই বিশিষ্টতা স্বাভাবিক ৰূপেই আহিছিল বুলি ক'ব পাৰি। এই প্ৰসঙ্গত বিশিষ্ট গদ্য বিশ্লেষক হৰিনাথ শৰ্মাদলৈয়ে কৈছে যে, "অসমীয়া লিখকসকলৰ ৰচনাসমূহৰ বৰ্ণ-বিন্যাস-ৰীতি ব্ৰাউন-প্ৰদৰ্শিত ৰীতিৰ লগত একে বুলি ধৰি ল'ব পৰা যায় যদিও তেওঁলোকৰ বাক্য-বিন্যাস ৰীতি কিন্তু পাদ্ৰীসকলতকৈ কিছু উন্নত দেখা যায়।" *অৰুণোদই* স্তৰৰ দুজনমান অসমীয়া গদ্য লেখকৰ গদ্যৰ নমুনা তলত উল্লেখ কৰা হ'ল—

"...প্ৰিথিবিত সভ্য আৰু অসভ্য দুই প্ৰকাৰ মানুহ আচে। জি দেস অসভ্য, তাৰ মানুহবোৰে নানা দৰে পহু, চৰাই, মাচ ইত্যাদি ধৰি তাকে খাই জিৱন ধাৰন কৰে। সিহঁতে খেতি কৰিব নে জানে, সিহঁতৰ ঘৰবোৰ পজাৰ নিচিনা মাটি, বঁতা গচৰ চাল ইত্যাদিৰে সাজে, থাবিলৈ অতি অসুখ।" (আনন্দৰাম ঢেকিয়াল ফুকন)

"...তথাপি গিয়ান আৰু গুণ, মানুহলৈ মৰম, আৰু ধৰমলৈ ইচা এই দেসৰ মানুহৰ অধিক, এই দেসলৈ চালে আমাৰ দেস নিচেই এফেৰি হেন জানো, আৰু এই দেসৰ নিচিনা গিয়ানি অসম দেসত এজনো নাই হেন গুনো, আৰু এই দেসলৈ চালে অসম দেস নিচই এন্ধাৰেৰে পুৰ হৈ থকা জেন দেখো, এই নিমিতে আসা জন্মে জেন এইবোৰ দেসৰ নিচিনা আমাৰ অসম দেসো হব, এনে প্রার্থনা কৰোঁ।" (পূর্ণানন্দ শর্মা)



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং৫ঃ *অৰুণোদই*ত প্রবন্ধ-পাতি লিখা এজন অসমীয়া খ্রীষ্টিয়ান লেখকৰ গদ্যৰীতি বিচাৰ কৰক। (150টা শব্দৰ ভিতৰত)

➢ **অখ্রীষ্টিয়ান লেখকসকল ঃ**

আনন্দৰাম ঢেকিয়াল ফুকন ঃ অসমীয়া গদ্যই প্রকৃত আধুনিক ৰূপ লাভ কৰিছিল আনন্দৰামৰ হাততহে। 1946 চনত আনন্দৰামে ৰচনা কৰা অসমীয়া লৰাৰ মিত্রৰ মাজেৰে অসমীয়া গদ্যৰ বিশুদ্ধ আধুনিকীকৰণ হোৱা বুলি ক'ব পাৰি। উক্ত পুথি সন্দর্ভত যোগেন্দ্রনাৰায়ণ ভূঞাৰ মন্তব্য প্রণিধানযোগ্য। তেওঁ কৈছে যে, "অসমীয়া লৰাৰ মিত্রখন যোৱা শতিকাৰ ভাষা জাগৰণৰ কালৰ প্রথম উল্লেখযোগ্য পাঠ্যপুথি আৰু আধুনিক অসমীয়া গদ্যৰ বিকাশৰ পথৰ এটি মাইলৰ খুঁটি ৰূপে অতি মূল্যবান।" আনন্দৰাম ঢেকিয়াল ফুকন অৰুণোদই যুগৰ লেখক যদিও *অৰুণোদই*ৰ গদ্যৰ সৈতে তেওঁৰ গদ্যৰ বৈসাদৃশ্য আছিল ভালেমান। অৰুণোদইৰ সমসাময়িক হৈও তেওঁ *অৰুণোদই*ৰ বর্ণবিন্যাস ৰীতি গ্রহণ নকৰি নিজস্ব চিন্তাৰে অসমীয়া গদ্যৰ বর্ণবিন্যাস পদ্ধতি গঠন কৰি লৈছিল বুলি ক'ব পাৰি। সেয়েহে যোগেন্দ্র নাৰায়ণ ভূঞাই মত দিছে যে *অৰুণোদই*ৰ গদ্যৰ দৰে কেৱল কোমলতাৰে পৰিপূর্ণ হৈ নাথাকি কোমল-কঠিন মিলি হোৱা এটা নতুন ৰূপ লৈছে আনন্দৰামৰ গদ্যই। ডিম্বেশ্বৰ নেওগে আনন্দৰামৰ সন্দর্ভত কৈছে যে আনন্দৰাম অকল বর্তমান অসমীয়া গদ্যৰ প্রথম প্রৱর্তকেই নহয়, বর্তমান অসমীয়া ভাষাৰ আদি অৱস্থাৰ অনেক অপায়-অমঙ্গলৰ বিৰুদ্ধে যুঁজা প্রথম আগৰণুৱা তেওঁ, অসমীয়া সাহিত্যৰ আৰু জাতিৰ নতুন আদর্শ দাঙি ধৰোঁতা তেওঁ।

*অৰুণোদই*ত গদ্যকাৰসকলে অন্তস্থ য়-ৰ বাহিৰে অন্য য নিজৰ লিখনিত ব্যৱহাৰ নকৰিছিল। কিন্তু আনন্দৰামে নিজৰ গদ্যত য বর্ণৰ ভালেমান প্রয়োগ কৰিছে। যেনে— যদি, ধৈর্য্যতা, যেনেকৈ, যি, যেনে আদি। *অৰুণোদই*ৰ গদ্যত শ ষ আৰু স-ৰ কেৱল স-টোৱহে ব্যৱহাৰ বিচাৰি পোৱা যায়। আনহাতে, আনন্দৰামে শ ষ আৰু স প্রতিটোৰে বহুল প্রয়োগ নিজৰ ৰচনাত কৰিছে। উদাহৰণ স্বৰূপে—

"দানশীলতা সৰলতাৰ সত্যতা এই সকল কৰিবলৈ মুষলমান ধর্ম্মে উপদেশ দিয়ে।"

*অৰুণোদই*ৰ গদ্যত দন্ত্য ন আৰু মূর্ধন্য ণ-ৰ কেৱল দন্ত্য ন-টোৱহে ব্যৱহাৰ দেখা যায়। কিন্তু আনন্দৰামে দুয়োটাই ব্যৱহাৰ কৰিছিল। যেনে—

"উজনিত মানে ৰণ জিকি বুঢ়াগোহাঞিক বন্দি কৰি মিল ৰূপে স্বৰ্গদেৱলৈ কটকি পঠালে নহাত ৰণ হল, ৰণত ঠাৱৰিব নোৱাৰি গুয়াহাটিৰ পৰা ভাগি গল।"

মিছনেৰীসকলৰ গদ্যৰীতিতকৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্য আৰু বৰ্ণবিন্যাস আধুনিক অসমীয়াৰ অধিক ওচৰ চপা। তলৰ তুলনামূলক উদ্ধৃতিবোৰে কথাযাৰ বুজি উঠাত সহায় কৰিব—

	অৰুণোদইৰ গদ্যত	আনন্দৰামৰ গদ্যত	আধুনিক অসমীয়া
ি ি বা ী ঃ	নদি	নদী	নদী
ু ু বা ূ ঃ	অমুল্য	অমূল্য	অমূল্য
ন বা ণ ঃ	উচ্চাৰন	উচ্চাৰণ	উচ্চাৰণ
র্ব ৰ্ব্ব ঃ	পর্বত	পর্ব্বত	পর্ব্বত, পর্বত
র্ম ৰ্ম্ম ঃ	ধর্ম (ধৰম)	ধৰ্ম্ম	ধৰ্ম্ম, ধর্ম
অন্যান্য শব্দ ঃ	খেমা	ক্ষমা	ক্ষমা
	ইচা	ইচ্ছা	ইচ্ছা
	প্রিথিৱি	পৃথিৱী	পৃথিৱী
	গিয়ান	জ্ঞান	জ্ঞান
	বৰুআ	বৰুৱা	বৰুৱা
	হই	হৈ	হৈ ...ইত্যাদি।

আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত বুৰঞ্জীৰ গদ্যৰ পৰম্পৰা আৰু সত্রীয়া পৰম্পৰা দুয়োটাৰ প্রভাৱেই দেখা পোৱা যায়। বুৰঞ্জীৰ গদ্যত 'বোলে', 'পিচে', 'আৰু' আদি শব্দেৰে বাক্যৰ আৰম্ভণি কৰা ৰীতি আনন্দৰামে ব্যৱহাৰ কৰিছিল আৰু একেদৰে হে অব্যয়েৰে অঙ্কীয়া নাটত বাক্য আৰম্ভ কৰা ৰীতিও তেওঁ প্রয়োগ কৰিছিল। তলত এই প্রয়োগৰ উদাহৰণ দাঙি ধৰা হ'ল—

"আৰু সিহঁতৰ এই নিতি আচিল, ৰনৰ সময়ত কাঠৰ বৰ এক দেবতাৰ মুর্তি চিলিঙ্গৰ নিচিনা সাজি...."

"পিচে পোন্ধৰে বচৰ বয়স হলত এক খেতিয়কে তাক মেৰ চাগ ৰখিয়াকৈ ৰাখিলে।"

"হে প্রিয় লৰাবিলাক, ভালেমান পুৰুষার্থ কৰি তোমালোকৰ উপকাৰৰ নিমিত্তে আমি এই পুথি প্রস্তুত কৰিলোঁ।"

পাদুৰীসকলৰ অসমীয়া গদ্যত ইংৰাজী ভাষাৰ প্রভাৱস্পষ্ট ৰূপত দেখা পোৱাৰ দৰে আনন্দৰামৰ গদ্যতো এই প্রভাৱ দেখা পোৱা যায়। খুব সম্ভৱ ইংৰাজী পুথিৰ গভীৰ অধ্যয়ন থকাৰ বাবে আনন্দৰামৰ গদ্যত ইংৰাজী বাক্যগঠন ৰীতিৰ প্রভাৱ পৰিছিল। ইংৰাজী বাক্যত আৰু শব্দেৰে বাক্য আৰম্ভ কৰা ৰীতি আনন্দৰামেও নিজৰ গদ্যত ব্যৱহাৰ কৰিছে আৰু অন্য ৰূপে চোৱা বা দেখা শব্দ বাক্যৰ আদিত প্রয়োগ কৰি বাক্য আৰম্ভ কৰিছে। উদাহৰণ স্বৰূপে—

"দেখা প্ৰথমতে এই জগতত বিদ্যাৰ সমান আমাৰ মিত্ৰ নাই, কিয়নো তাক জানিলে আমি গিয়ান পাওঁ..."

আনন্দৰামৰ অধিকাংশ গদ্যৰে বাক্যবোৰ দীঘলীয়া যদিও প্ৰয়োজন সাপেক্ষে তেওঁ চুটি আৰু মধ্যমীয়া আকাৰৰ বাক্যও ৰচনা কৰিছে। তলত চুটি, মধ্যমীয়া আৰু দীঘলীয়া বাক্যৰ উদাহৰণ একাদিক্ৰমে আগবঢ়োৱা হ'ল—

"কাশীৰ ৰজা কাশী নগৰৰ 2½½0 ক্ৰোশ আঁতৰত গঙ্গাৰ সিপাৰে ৰাম নগৰত থাকে।"

"কুঁৱৰিয়ে তাইক কলে বোলে পুৰোহিতক আনা, তাতে তাই সেই আজ্ঞা পালিবলৈ গলত তেওঁ সেই ডেকা মানুহক বৰ আদৰকৈ কলে বোলে ময় তোমাৰ ভাৰ্য্যা হলে সন্তোষ পোৱা নে?"

"সেই পঢ়াশালিৰ অধ্যক্ষে সেই ছাত্ৰে ধৰ্ম্মলৈ এনে কৰিচে হেন ভাবি তাক ভালেমান তিৰস্কাৰ কৰি তাৰ সেই প্ৰতিজ্ঞা ভাঙ্গিবলৈ ইচ্ছা কৰিলে, কিন্তু তেওঁৰ তিৰস্কাৰত একো গুণ নধৰিব দেখি এদিন তাক মতাই নিয়াই কলে বোলে পঢ়াশালিৰ ৰীতিয়েৰে নচলা বৰ বিষম, আৰু তয়নো কিয় এনেকৈ খা তাক ক; কিন্তু তেওঁ সেই লৰাই একো কথা নেভাঙ্গিলত অধ্যক্ষে তাক পঢ়াশালিৰ পৰা মাক বাপেকৰ তলৈ খেদি পঠাম বুলিলত সি ভয় পাই কলে বোলে হে দেও, মোৰ বোপাইৰ ঘৰত এফেৰামান কলা ৰুটিত বাজে আন একো খাবলৈ পোৱা নাচিলোঁ কিন্তু ইয়াত ময় ভাল জোল আৰু চিকন বগা ৰুটি খাবলৈ পাওঁ আৰু ইচ্ছা কৰিলে ভালকৈ খাবলৈ পাৰোঁ কিন্তু মোৰ পিতৃ যি অৱস্থাত আছে তাৰ কথা মনত পৰি ময় একোকে খাব নোৱাৰোঁ।"

ইংৰাজী ভাষাৰ প্ৰভাৱতেই হয়তো আনন্দৰামৰ গদ্যত সৰল বাক্যতকৈ যৌগিক আৰু জটিল বাক্যৰ প্ৰাধান্য দেখা পোৱা যায়। তলত আনন্দৰামৰ গদ্যত থকা তিনিও প্ৰকাৰ বাক্যৰ উদাহৰণ আগবঢ়োৱা হ'ল—

সৰল বাক্য ঃ নাৰায়ণী নামেৰে এজনি চোৱালি আচিল

যৌগিক বাক্য ঃ গোলাপফুল অতি সুন্দৰ হয় কিন্তু তাতকৈও সুন্দৰ আছে;যি গোলাপক স্ৰজিলে তেওঁ তাতকৈও সুন্দৰ, তেওঁ প্ৰেম স্ৱৰূপ আৰু সকলোৰে চিত্ত হৰ্ষ কাৰক।

জটিল বাক্য ঃ যিটো অধ্যাপকে ছাত্ৰে দোষ কৰিলে তাক চেকনিৰে নোকোবাই সেই অধ্যাপকৰ প্ৰতি ছাত্ৰেই চেকনি লব।

আনন্দৰামৰ গদ্যত তৎসম, তদ্ভৱ, অৰ্ধ তৎসম শব্দৰ উপৰিও দেশী-বিদেশী-হিন্দী-বঙলা আদি সকলো প্ৰকাৰ শব্দৰ সমাহাৰ ঘটিছে যিয়ে গদ্যৰ সৌষ্ঠৱ দুগুণে চৰোৱাৰ লগতে অসমীয়া ভাষাকো সমৃদ্ধ কৰিছে।তলত আনন্দৰামৰগদ্যত থকা বিভিন্ন শ্ৰেণীৰ শব্দৰ দৃষ্টান্ত দাঙি ধৰা হ'ল—

তৎসম শব্দ ঃ পুষ্প, জ্ঞান, কৰ্ম্ম, স্বৰ্গ, সূৰ্য্য, অলঙ্কাৰ, মনুষ্য আদি।

অৰ্ধ তৎসম শব্দ ঃ ৱৰণ, গিয়ান, মৰম, সবদ, ৰতন আদি।

তদ্ভৱ শব্দ ঃ ভোক, ফুল, মানুহ, তিৰোতা, লুইত, জুই আদি।

দেশী শব্দ ঃ আপাহত, ধেমালি, জগৰ, আইটী, আদখিনি আদি।

হিন্দী শব্দ ঃ লাথি, চাউনি, কেৰেয়া আদি।

ইংৰাজী শব্দ ঃ জজ, ডাইৰেক্টৰ, ৰেবিনিউ, কোম্পানি আদি।

আৰবী শব্দ ঃ নৱাব, আদালত, দলিচা, জহৰ, কবৰ আদি।

অনুজ্ঞাসূচক, প্রশ্নবোধক, সন্দেহাত্মক, উপদেশমূলক আৰু ভাবাৱেগসূচক বাক্যৰে সমৃদ্ধ আনন্দৰামৰ গদ্য ৰসাশ্রয়ী, চিন্তাশীল আৰু বিবৃতিমূলক বৈশিষ্ট্যৰে সুসমৃদ্ধ। একেদৰে তেওঁৰ গদ্যত বিচাৰি পোৱা যায় ব্যাখ্যা আৰু বিশ্লেষণ। ভাষাৰ সাৱলীল প্রয়োগে তেওঁৰ গদ্যক কৰি তোলে আকর্ষণীয় আৰু ৰসসমৃদ্ধ। তেওঁৰ বিখ্যাত ইংলণ্ডৰ বিৱৰণ নামৰ প্রবন্ধটোৰ মাজেৰেই তেওঁৰ গদ্যৰ সকলো বৈশিষ্ট্যৰাজিৰ উমান পাব পাৰি। তলত ইংলণ্ডৰ বিৱৰণৰ এছোৱা মন্থনৰ বাবে উদ্ধৃত কৰা হ'ল—

"জি সময়ত অসম হাবি গুচি, ফুল বাৰি হব, নৈত ডোঙ্গা গুচি, জাহাজ হব, ঘৰ বাঁহৰ গুচি, সিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰে হেজাৰে পর্হা সালি, গিয়ানৰ সভা, চিকিতসালই, দুখিয়া দৰিদ্র পৰিত্রানৰ আলই হব, আৰু জি কালত লোক সকলে পৰস্পৰ হিংসা ন কৰি, আটাইয়ে আটাইক ভাত্রিবত্ চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাখি নি দি, লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেঁটি পাই ও কাৰো অন্যায় ন কৰিব, বেস্যা, কানি আৰু সুৰা এই কথা দেসত লোকে ভু নো পোআ হব, সেই সমই, হে পৰম পিতা জগদিস্বৰ, সিঘ্রে ঘটোআ।"

এইদৰে আনন্দৰাম ঢেকিয়াল ফুকনৰ হাতত আধুনিক অসমীয়া গদ্য ৰচনাৰ প্রকৃত শৈলীয়ে গতি লাভ কৰিছিল, যি পৰৱর্তী সময়ৰ গদ্যকাৰসকলৰ হাতত নিমজ, নিটোল আৰু পৰিশোধিত হৈ আজিৰ স্বৰূপ লাভ কৰিবলৈ সক্ষম হৈছিল।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৬ঃ মিছনেৰীসকলৰ গদ্যৰ লগত আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ এটি তুলনা দাঙি ধৰক। (150টা শব্দৰ ভিতৰত)

৫.৩.৩ আধুনিক অসমীয়া ভাষা-সাহিত্য প্রতিষ্ঠাৰ স্তৰৰ গদ্য

আনন্দৰাম ঢেকিয়াল ফুকনে যি গদ্যৰ নিদর্শন দাঙি ধৰিছিল সেই গদ্যত সুপ্ত হৈ থকা আধুনিক অসমীয়া গদ্যৰ কিশলয় স্বৰূপটোক পূর্ণ পত্রলৈ বিকশাই তুলি সেউজ কৰি তুলিলে অৰুণোদইৰ শেষ স্তৰৰ দুজন স্বনামধন্য সাহিত্যিকে। সেই দুগৰাকী অসম প্রাণ সাহিত্যিক হ'ল— গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্র বৰুৱা। এই দুজনা গদ্যকাৰৰ ৰচনাৰ মাজেৰেহেঅসমীয়া গদ্যই প্রকৃততে পৰিপূর্ণতা লাভ কৰে। আধুনিক অসমীয়া গদ্যৰ ক্রমবিকাশৰ ইতিহাসত এই দুজনা গদ্যকাৰৰ গদ্যৰ বিশেষত্ব আলোচনা নকৰিলে সি অসম্পূর্ণ হৈ ৰ'ব।

গুণাভিৰাম বৰুৱা ঃ অষ্টাদশ শতিকাৰ ইংৰাজী গদ্যত ৰচনাৰ তিনিটা ৰীতি বিচাৰি পোৱা যায়। এই তিনি ৰীতি হ'ল— সৰল, মধ্যগ আৰু অলঙ্কৃত। এই তিনিও ৰীতিৰ

ভিতৰত মধ্যগ ৰীতিকেই সমালোচকসকলে শ্রেষ্ঠতাৰ মর্যাদা দিয়ে কিয়নো এই ৰীতিত ৰচিত গদ্য সৰল, যথাযথ আৰু সুসঙ্গত হয়। এই প্রসঙ্গত অসমীয়া গদ্য-সাহিত্যৰ গতি-পথ পুথিৰ প্রণেতা হৰিনাথ শর্মাদলৈয়ে উল্লেখ কৰিছে যে "এডিছনৰ গদ্য যে এই ৰীতিৰ অন্তর্গত আছিল এই কথা জন্‌ছনে কৈ গৈছে। হেমচন্দ্র বৰুৱা (*কোৱাভাতুৰীত* বাহিৰে) আৰু গুণাভিৰাম বৰুৱাৰ প্রায়বোৰ ৰচনাই আতিশয্যবিহীন, যথার্থ আৰু বহু পৰিমাণে সুবিন্যস্ত। সেয়েহে, তেওঁলোকৰ ৰচনা-বিশেষৰ মাজত উক্ত ধৰণৰ মধ্যগ ষ্টাইল লক্ষ্য কৰা যায়।" গুণাভিৰামৰ যথাযথ, সহজ-সৰল আৰু সুসংহত গদ্যৰ মাজেৰেই অসমীয়া গদ্যই আধুনিকতাৰ প্রথম সাজ পৰিধান কৰিছিল বুলি ক'ব পাৰি।

গুণাভিৰামৰ গদ্যত তৎসম, তদ্ভৱ আৰু অর্ধ তৎসম শব্দৰ প্রয়োগ দেখা পোৱা যায় যদিও তৎসম শব্দৰ বহুল প্রয়োগ তেওঁৰ গদ্যত অন্যতম বৈশিষ্ট্য। প্রয়োজন সাপেক্ষে তেওঁ নিজৰ গদ্যত ইংৰাজী, আৰবী-ফার্চী শব্দৰো সঘন প্রয়োগ কৰিছিল। তেনে কিছুমান শব্দ হ'ল—

তৎসম শব্দ ঃ অন্তৰাপত্য, আষাঢ়, সংস্কাৰ, সূর্য্য, কার্য্য আদি।
ইংৰাজী ঃ এজেণ্ট, গবর্ণমেণ্ট, এছিষ্টেণ্ট কমিছনাৰ, ৰিপোর্ট আদি।
আৰবী-ফার্চী ঃ চিৰস্তাদাৰ, আৰজী, দৰখাস্ত, মুচাবিদা, মোকর্দমা আদি।

গুণাভিৰামৰ গদ্যত ৰ ৰঠাইত য় আৰু ই-ৰ ঠাইত য়-ৰ প্রয়োগ হোৱা দেখা পোৱা যায়। কেতিয়াবা উ-ৰ ঠাইত ও আৰু য়-ৰ ঠাইত এ প্রয়োগ হোৱা উদাহৰণো পোৱা যায়। যেনে—

ছোৱালী	চোয়ালী	
খোৱা	খোয়া	
মই	ময়	
তই	তয়	
দুখোজ	দোখোজ	
জীয়েক	জীএক	আদি।

গুণাভিৰামে নিজৰ গদ্যত নির্দিষ্টতাবাচক প্রত্যয় -খন-ৰ ঠাইত -খান ব্যৱহাৰ কৰিছে। যেনে— এখান নকল, সেইখান আদি। আকৌ ক্ষুদ্রার্থত -খানি প্রত্যয়ৰ প্রয়োগ কৰিছে। যেনে— এখানি পুস্তক আদি।

গুণাভিৰামৰ গদ্যৰ এটি মন কৰিবলগীয়া দিশ হ'ল -উৰু প্রত্যয়ৰ প্রয়োগ। তেওঁৰ সমসাময়িক কোনো গদ্যকাৰেই বহুবচন বুজাবলৈ -উৰু প্রত্যয়ৰ ব্যৱহাৰ কৰা নাই। যেনে—

সখীসকল	সখী উৰু	
আইহঁত	আই উৰু	
মোমাইহঁত	মোমাই উৰু	আদি।

গুণাভিৰামৰ গদ্যত অসমীয়া জটুৱা ঠাঁচ, প্ৰবাদ-প্ৰবচন, খণ্ডবাক্য আদিৰ বহুল প্ৰয়োগ আছিল। যিবোৰে তেওঁৰ গদ্যক নিভাঁজ অসমীয়া স্বৰূপ দিয়াত সহায় কৰিছিল। উদাহৰণ স্বৰূপে—

"পচোৱা বতাহে দুয়াৰ মেলে, বৰলাত গাত দায়।"

"সাপেহে সাপৰ ভৰি দেখে।"

"নোয়াই তোলনী হবৰ পিছে বেলি নোয়াৰা হবৰে পেৰা বৰকৈ গা যায়।"

অৱশ্যে মাজে মাজে তেওঁৰ গদ্যত বঙলা ভাষাৰ প্ৰভাৱো বিদ্যমান। যেনে—

"তাইৰ হাত আৰু ভৰিত পদ্মফুলৰ চিন থকা এবং খোজ দিলে ভৰিত মাটি নলগা প্ৰবাদ আছিল।"

গুণাভিৰামৰ গদ্যত কামৰূপী কথিত ৰূপৰ ব্যৱহাৰ মন কৰিবলগীয়া দিশ। অতি সুন্দৰ ৰূপত তেওঁ কামৰূপীয়া ঠাঁচ আৰু শব্দৰ প্ৰয়োগ নিজৰ গদ্যত কৰিছে। উদাহৰণ স্বৰূপে—

"আগে-আহামৰ দিনত ভাল মানুহ ফুকান বঢ়ুয়া গঁহাঁই সকালৰ গোলাম বান্ধা ভকাত আছিল। পাছে সিগলা ইংৰাজৰ দিনত গুছিল। আবাৰ ডাঙ্গাৰ লোক সকলে নিজে এখান বন কৰি খাবা লাগা পালেতিত পৰ্ছি। পাছে সেই সকালে আপানি বনো কৰ্বা নৰেই ধনো নাই বড় দুঃখত পড়িছি।"

আগতেই উল্লেখ কৰা হৈছে যে গুণাভিৰামৰ গদ্যত মধ্যগ ৰীতি দেখা পোৱা যায়। অৰ্থাৎ তেওঁৰ গদ্য সহজ-সৰল, সুসংহত আৰু যথাযথ। তলত তেওঁৰ সহজ-সৰল, যথাযথ আৰু সুসংহত গদ্যৰ নমুনা পৰিচয়ৰ বাবে সংলগ্ন কৰা হৈছে—

"এই অসম দেশ আমাৰ মাতৃভূমি। ইয়াতেই আমি উপজিছোঁ। ইয়াতেই শিক্ষা পাইছোঁ। এই দেশৰ নামেই আমি সংসাৰ হাটত বিকা হই আছোঁ। জননী যেনে আদৰনীয়া আৰু পূজনীয়া এই আমাৰ জন্ম ভূমিও আমাৰ পক্ষে তেনে মৰম আৰু সেৰাৰ থলী। যাক যি ভাল পায় তাক সি বড়কৈ সলাগে; সেই সলাগিব লয়িা বস্তুৰ যিমান কি দূৰ্বলতা থাওঁক, যিমান কি আসোৱাহ থাওক সেই বোৰ সেই জনে নেদেখে। এনে ভাৱ দুৰ্বল স্বাৰ্থপৰ হলেও ই অতি মনোৰম। ইয়াত প্ৰীতিৰ উচ্চ আদৰ্শ পোৱা যায়। অনেকে ইয়াক অন্ধ প্ৰেম বুলিব পাৰে। বোলে বোলক।"

গুণাভিৰামৰ গদ্যত বিষয়বস্তুৰ গভীৰতা, প্ৰকাশভঙ্গীৰ প্ৰাঞ্জলতা আৰু ভাবৰ সংযম বিচাৰি পোৱা যায়। সহজ-সৰল বাক্যৰে সমাহিত তেওঁৰ গদ্যৰ অন্যতম বৈশিষ্ট্য হ'ল আবেগিকতা। গুণাভিৰামৰ অতি অনুভূতিশীল গদ্যৰাজিৰ মাজে মাজে কেতিয়াবা বিচাৰি পোৱা যায় মৃদু হাস্যৰস। যেনে—

যদু ঃ নিচেই সঁচা। দেউ, বাগিচা বোলাৰ কাৰোণ বা কি?

অধ্যাপক ঃ বাগিৰে চায় দেখি বাগিচা বোলে।

যদু ঃ হয়, হয়, ভাল অর্থ ভেদ কৰিছে দেউ! —এৰা আমাৰ ঘৰৰ ওচৰৰ কেল্‌মেল্‌ চাহাবে নিতৌ বাগিত উঠি চাহনীৰ মাজে মাজে কিবা চাই ফুৰে। বাৰু, দেউ, দেৰেকা বা বোলে কি অর্থত?

অধ্যাপক ঃ পাঁচনী, তুমি অশুধকৈ মাতাঁ হে! দেৰেকা নহয়, দাৰোগা। দাৰোগাৰ সন্ধি ভাঙ্গিলে এনে হয়; যেনে— দাৰি গা; অর্থাৎ দাৰি আৰু গা উভয়ে পৈনত। নেদেখিছা, দাৰোগাবিলাক কেনেকুৱা দাৰিয়েলা আৰু গাৱাল।

এইদৰে গুণাভিৰামৰ গদ্য ৰচনাই অসমীয়া গদ্যক বহু দূৰলৈ পূর্ণতা প্রদান কৰি পিছৰ গদ্যকাৰসকলক আধুনিক অসমীয়া গদ্যৰ ভেটি নির্মাণ কৰি দিয়ে আৰু গদ্য সৃষ্টিৰ প্রেৰণাৰ উৎস ৰূপে পৰৱর্তী সাহিত্যিকসকলক উৎসাহিত কৰি অসমীয়া ভাষা-সাহিত্য সুস্থ সবল কৰি তোলে।

হেমচন্দ্র বৰুৱা ঃ প্রকৃতপক্ষে অসমীয়া বর্ণবিন্যাসক এটা সুস্থিৰ, নিটোল আৰু ভৱিষ্যত-মুখী ৰূপ দি আধুনিক অসমীয়া গদ্যৰ পকী বাটটো হেমচন্দ্র বৰুৱাইহে সাজি উলিয়াইছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ সময়ত অসমীয়া গদ্য সন্দর্ভত যি অস্থিৰতাই বিৰাজ কৰিছিল সেই অস্থিৰতা হেমচন্দ্র বৰুৱাই ৰচনা কৰা ব্যাকৰণ আৰু অভিধানৰ মাজেৰেহে একপ্রকাৰ দূৰ হ'ল বুলি ক'ব পাৰি। *অৰুণোদই* আৰু মিছনেৰীসকলৰ হাতত হেৰাই যাব খোজা অসমীয়া গদ্যৰ প্রকৃত স্বৰূপটো যেন হেমচন্দ্রইহে উদ্ধাৰ কৰি নতুন প্রাণৰ সঞ্চাৰ কৰিলে। অসমীয়া ভাষাৰ বর্ণবিন্যাস ভাষাটোৰ মূল অনুযায়ী লিখাৰ পৰম্পৰা হেমচন্দ্রৰ যতনতহে আধুনিক অসমীয়াত ৰক্ষা পৰে বুলি অভিমত কৰিব পাৰি। হেমচন্দ্র বৰুৱাই নিজেও উল্লেখ কৰিছে যে অসমীয়া শব্দবিলাকৰ মূলবিলাক যি আখৰেৰে যায় উচ্চাৰণ লৰ চৰ নকৰাকৈ পৰা যায় মানে অসমীয়াত সেই আখৰ ৰাখিব লাগে।

হেমচন্দ্র বৰুৱাৰ ৰচনাৰ সংখ্যা সীমিত যদিও সেই সীমিত সংখ্যক ৰচনাৰ মাজেৰেই তেওঁ যুগজয়ী অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ গদ্যসমূহক দুটা দিশেৰে স্পষ্ট ৰূপত দুভাগ কৰিব পাৰি। য'ত তেওঁ ৰচনা কৰা ব্যাকৰণ, অভিধান আৰু অসম্পূর্ণ *আত্মজীৱন চৰিত* গুৰু-গম্ভীৰ, সংযত আৰু বাহুল্যবর্জিত গদ্যই অসমীয়া ভাষা-সাহিত্যক সুষমামণ্ডিত কৰি তুলিছে, আনফালে, *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী* বা *কানীয়াৰ কীর্ত্তন*ৰ দৰে ৰচনাত থকা গদ্যই অসমীয়া ভাষাৰ হাস্যমধুৰ ব্যঙ্গাত্মক স্বৰূপটোৰ সামর্থ উদঙাই দিছে। অসমীয়া ভাষাৰ মাধ্যমেৰে যে প্রয়োজন সাপেক্ষে অতি গুৰু- গম্ভীৰ যুক্তিপূর্ণ আলোচনা সমাধা কৰিব পাৰি আৰু প্রয়োজনত এই ভাষাৰেই হাঁহিৰ খলকনিও তুলিব পাৰি, অসমীয়া ভাষাৰ এই পৰিপূর্ণ সামর্থতা হেমচন্দ্রই তাহানিতে বিশ্ববাসীক দেখুৱাই দিছিল।হেমচন্দ্রই নিজৰ গদ্যত তৎসম, তদ্ভৱ, অর্ধ তৎসম, কামৰূপী, প্রয়োজন সাপেক্ষে হিন্দী-বঙলা, ইংৰাজী ভাষাৰ শব্দও ব্যৱহাৰ কৰিছিল। লগতে অসমীয়া জটুৱা ঠাঁচ, যোজনা-পটন্তৰৰ সম্যক প্রয়োগ কৰি অসমীয়া ভাষাৰ সাধু স্বৰূপ এটা ভৱিষ্যত প্রজন্মক তৈয়াৰ কৰি দি থৈ গৈছিল। তলত সেইবোৰৰ উদাহৰণ দাঙি ধৰা হ'ল—

তৎসম শব্দ ঃ ভার্য্যা, অগ্নি, জন্ম, শাস্ত্র, স্বর্গ আদি।
তদ্ভৱ ঃ গিয়ান, শিচ, ছাতৰ, শৰাধ, সাজ আদি।
অর্ধ তৎসম ঃ ধৰম, কৰম, মৰণ, জনম আদি।
কামৰূপী শব্দ ঃ পেৰা, ধুলা এখান আদি।

হিন্দী শব্দ ঃ ৰূপিয়া, লেকিন, আদমি আদি।
বঙলা ঃ হইতে, হয়েছি, আমৰা আদি।
ইংৰাজী ঃ কালেক্‌টৰী, চিভিলিয়ান, কমিশ্যন, গৱর্ণৰ আদি।
আৰবী-ফাৰ্চী ঃ উকীল, চিৰস্তাদাৰ, হজুৰ, ইজাহাৰ আদি।

উল্লেখযোগ্য যে কেৱল হাস্যমধুৰ কৰি ব্যঙ্গ-বিদ্রূপ কৰাৰ নিমিত্তেহে হেমচন্দ্রই নিজৰ গদ্যত হিন্দী আৰু বঙলা শব্দৰ প্রয়োগ কৰিছিল। একেদৰে হাস্য ব্যঙ্গ সৃষ্টিৰ বাবেই মাজে মাজে অসমীয়া-হিন্দী মিশ্রিত ভাষাও হেমচন্দ্রই ব্যৱহাৰ কৰিছে। যেনে—

"আৰে! খেৰৰ তলমে নাইপিয়া লুকাই ৰাখ্‌তা, আদমি লোকক খুন কৰিবলৈ।"

"যদি মিঠৈ খাবাৰ নিমিলে, তব পাঁচ ৰূপিয়ামে এই মাল বেচিব, আৰু বচ্‌ দোচোৰা মাল কোৱোক কৰিব।"

হেমচন্দ্রৰ গদ্যশৈলীৰ আন এক মনকৰিবলীয়া দিশ হ'ল ইংৰাজী খণ্ডবাক্য, প্রবাদ প্রবচনৰ অসমীয়ালৈ আক্ষৰিক অনুবাদ। যি অনুবাদে অসমীয়া ভাষাৰ সৌষ্ঠৱ বঢ়োৱাৰ লগতে ভঁৰালো চহকী কৰিছে—

A sleeping fox catches no poultry —শুই থকা শিয়ালে হাঁহ কুকুৰা ধৰিব নোৱাৰে।

Paid debt to the nature —স্বভাৱৰ ধাৰৰ পৰা মুক্ত হ'ল।

হেমচন্দ্রৰ ব্যঙ্গাত্মক ৰচনাবোৰত ব্যাজস্তুতি, শ্লেষোক্তি আদিৰ বহুল প্রয়োগ বিচাৰি পোৱা যায়। এই অলঙ্কাৰবোৰৰ ব্যৱহাৰে তেওঁৰ ব্যঙ্গ বাণক কৰি তুলিছে তীব্র আৰু তীক্ষ্ণ। উদাহৰণ স্বৰূপে—

"কানি, ভাং, মদ, ফটিকা আৰু ধৱাপাত। সকলোৰে মূৰত হউক বজ্রপাত। সেইবোৰ বস্তুত গুৰুজনৰ শাপ আছে। এতেকে ফটিকাৰ কথাকে নকওঁ, সি হিন্দুৰ জাতি-ধৰ্মৰ বৰ -বিহ; কানি, ভাং আৰু ধূৰাঁপাত এই কেইটা বস্তু, ঘাইকৈ কানি, বেজে অষধ বুলি গৰ্হন নকৰিবা।"

প্রশংসাৰ ছলেৰে কৰা নিন্দাই হেমচন্দ্রৰ ব্যঙ্গ গদ্যক অতি তীব্র কৰি তোলে—

"ৰৰগীতত গোঁসাই-দেউ এনেহে পাৰ্গত, যে তেওঁ পুৱতীয়া নিশা গীত ধৰিলে ওচৰৰ গছ, গছনিও পাত লৰোৱাৰ চলেৰে তাল ধৰে, আৰু কুকুৰ শিয়ালেও প্রেমত বাউল হৈ ৰাগ দিয়ে।"

হেমচন্দ্রই নিজৰ গদ্যত প্রযোজন সাপেক্ষে কেতবোৰ উপহাস সূচক শব্দ নিজে তৈয়াৰ কৰিও প্রয়োগ কৰিছে। যেনে— তিৰি-লগীয়া, পলায়ধ্বং, বোম্বানলে আদি। কেতিয়াবা ক'তো বিচাৰি নোপোৱা উপমাও তেওঁ প্রয়োগ কৰিছে— দামুৰি হেৰুওৱা গাইৰ দৰে বিবশ হৈ চটফটাই আছে, সিদ্ধ পুৰুষ মুখত চুণ দিয়া জোক যেন হৈ গিৰীয়েক মৰা তিৰোতাৰ নিচিনা বেজাৰেৰে ঘৰলৈ গ'ল।

এনে ধৰণৰ ব্যঙ্গাত্মক ৰীতি বিশ্লেষণ কৰিয়েই অসমীয়া সাহিত্যৰ বিশিষ্ট সমালোচক সত্যেন্দ্রনাথ শর্মাই মত দিছে যে নির্মম তীব্র ব্যঙ্গ ৰচনাত হেমচন্দ্রক পৰৱর্তী কোনো লেখকে অতিক্রম কৰি যাব পৰা নাই।

আনহাতে, হেমচন্দ্ৰ বৰুৱাৰ গম্ভীৰ গদ্যত চিন্তাৰ বিশুদ্ধতা আৰু ভাবৰ পৰিপূৰ্ণতা বিচাৰি পোৱা যায়। অতি ঘৰুৱা ভাষাৰেও তেওঁৰ গদ্যই পাঠকক আকৰ্ষণ কৰাত সক্ষম। ভাববস্তুৰ সহজ-সৰল গতি আৰু প্ৰাঞ্জলতা তেওঁৰ গদ্যৰ অন্যতম বৈশিষ্ট্য। তলত উদ্ধৃত ছেদটোৱে কাথাষাৰৰ যথার্থতা প্ৰতিপন্ন কৰিব—

"পূজনীয় বিদ্যাসাগৰে বিধৱা-বিবাহ যে শাস্ত্ৰ-সিদ্ধ ইয়াকে সপ্ৰমাণ কৰিয়েই মনে মনে নেথাকিল। আপোনাৰ পুতেকেৰে সৈতে বিধৱাৰ বিয়া দিলে। কালৰ সোঁতত তেওঁ উটি গল। কিন্তু তাৰ বালিত তেওঁ যি খোজৰ সাঁচ থৈ গৈছে, সি চিৰ কাললৈ থাকিব, লুপ্ত নহয়; সেই খোজৰ পাচত চলোঁতা মানুহ আমাৰ দেশত ওলাব কেতিয়া। প্ৰতিধ্বনিয়ে সুধিছে, কেতিয়া?"

হেমচন্দ্ৰৰ গদ্যত অসমীয়া ভাষাৰ নিভাজ নিটোল ৰূপটোৱে প্ৰাণ পাই উঠিছিল যদিও মাজে সময়ে তেওঁৰ গদ্যত ইংৰাজী বাক্য ৰীতিৰ প্ৰভাৱ নপৰাকৈ থকা নাছিল। অৱশ্যে ইংৰাজী ভাষাৰ জ্ঞান, সমসাময়িক পৰিৱেশ আৰু ইংৰাজীৰ ব্যৱহাৰে এই ক্ষেত্ৰত পৰোক্ষভাৱে ক্ৰিয়া কৰিছিল বুলি অনুমান কৰিব পাৰি। ইংৰাজী ভাষাৰ প্ৰভাৱৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল—

"কোৱখনীয়া সত্ৰৰ গোবৰ্দ্ধন-দেউ আতা পৰম বৈষ্ণৱ, কংসৰজাৰ চন্দন-যোগাঁতী কুঁজী বাইৰ বংশত জাত, সাক্ষাত গুৰু জনৰ পৰা পৰমার্থৰ ভাগ পোৱা গোপীনাথ-দেউ আতাৰ পৰি-নাতী। ঘোষা, কীৰ্ত্তন, ৰত্নাৱলী এই তিনি খানি শাস্ত্ৰ প্ৰভুৰ ওষ্ঠাগ্ৰ, ইয়াত বাজে গুণমালা, ভটিমা, চপয়, টোটয়, এইবিলাক হলে মুখে আখৈ ফুটাদি ফুটে।"

তেওঁৰ গদ্যত অসমীয়া কথিত ৰূপৰো ব্যৱহাৰ দেখা পোৱা যায়। যেনে—

"বাহিৰত মালা জপে ধৰমী দেখাই।"

"তেওঁ মোৰ ভাইগৰ গুণে আপুনি ধূলা পেলাবলৈ আহিছে।"

হেমচন্দ্ৰৰ গদ্যশৈলী সংযত, যুক্তিপূৰ্ণ, সুবিন্যস্ত আৰু যথাযথ। গদ্যত ভাৱৰ স্পষ্টতা আৰু ভাষাৰ সৰলতা সহজে লক্ষণীয়। সেয়েহে গুণাভিৰামৰ গদ্যৰ দৰে হেমচন্দ্ৰৰ গদ্যতো অষ্টাদশ শতিকাৰ মধ্যগ ৰীতিৰ স্থিতি বিচাৰি পোৱা যায়। ব্যঙ্গহীন গদ্যবোৰৰ গহীন ভঙ্গীমা যেন চিৰ অনুকৰণীয়। উদহৰণ স্বৰূপে—

"ইয়াৰ দ্বাৰা দেখা যায় যে ভার্য্যা আৰু স্বামীৰ একে দেহ, একে প্ৰাণ, দুইৰ ভিতৰত একো প্ৰভেদ নাই। এনে স্থলত যেতিয়া পুৰুষে ভার্য্যা মৰি গলে, অর্থাৎ তেওঁৰ শৰীৰৰ এভাগ নষ্ট হলে তাক পূৰাই লব পাৰে, তিৰোতা সেই স্বত্বৰ পৰা বঞ্চিত হ'ল কিয়? বিধৱা বিবাহৰ বিৰোধীবিলাকে ইয়াৰ কি উত্তৰ দিব? অৱশ্যে তেওঁলোকে কব যে বিধৱা-বিবাহ শাস্ত্ৰৰ নিষিদ্ধ; তিন্তু তেনে কথা কবৰ এতিয়া সময় নহয়, সেই আপত্তি অনেক দিনৰ আগেয়ে খণ্ডিত হে গৈছে।"

এনে ধৰণৰ সুন্দৰ সুষমা আৰু আকৰ্ষণীয় গদ্য ৰচনাৰে হেমচন্দ্ৰ বুৰৱাই অসমীয়া গদ্যক সুজলা সুফলা আৰু বৰেণ্য কৰি তুলিছিল। যদিও আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ মাজতেই অসমীয়া গদ্যৰ আধুনিক স্বৰূপটোৱে গা কৰিছিল, সেই ৰূপ তেজাল

মঙহ আৰু তেজেৰে জীপাল হৈ উঠিছিল হেমচন্দ্ৰৰ গদ্যৰ মাজেৰেহে। হেম বৰুৱাই উচিত মন্তব্য কৰিছে যে তেওঁৰ গদ্যশৈলীৰ সাৱলীলতা আৰু ক্ৰিয়াশীলতাই আধুনিক অসমীয়া গদ্য ৰীতিক বৈচিত্ৰ্যপূৰ্ণ,ঐশ্বৰ্য্যশালী কৰি তুলিলে। আকৌ সত্যেন্দ্ৰনাথ শৰ্মাই সঠিক বিশ্লেষণেৰে মত দিছে যে মিছনেৰীসকলৰ শিথিল আখৰ-যোটনি আৰু অসমীয়া কথিত গদ্য ৰীতিত নিহিত থকা ত্ৰুটিবোৰ আঁতৰ কৰি হেমচন্দ্ৰ বৰুৱাই অসমীয়া গদ্যক এটি স্থিৰ ৰূপ দি স্থায়ী ভেটিত প্ৰতিষ্ঠা কৰে।

এইদৰে প্ৰাক্-অৰুণোদই স্তৰৰ পৰা আৰম্ভ কৰি আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰত আধুনিক অসমীয়া গদ্যই হেমচন্দ্ৰ-গুণাভিৰামৰ হাতত পূৰ্ণতা লাভ কৰি এক ধাৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত এই ধাৰাক অধিক সুপৈণত আৰু বিস্তৃত ৰূপ দিয়ে লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত, সত্যনাথ বৰা, কমলাকান্ত ভট্টাচাৰ্যকে আদি কৰি বিশিষ্ট গদ্যকাৰসকলে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ গুণাভিৰাম বৰুৱাৰ গদ্যশৈলী বিশ্লেষণ কৰক। (150টা শব্দৰ ভিতৰত)



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আধুনিক অসমীয়া গদ্যৰ জন্ম আৰু বিকাশ অৰুণোদই যুগত হৈছে।এই গদ্যৰ ক্ৰমবিকাশৰ আলোচনা অৰুণোদই যুগৰ তিনিটা স্তৰ অনুসৰি আলোচনা কৰিব পাৰি।
- ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত অৰ্থাৎ প্ৰাক্-অৰুণোদই স্তৰত অসমীয়া গদ্যৰ বিকাশৰ পাঁচটা ধাৰা দেখা পোৱা যায় যদিও কোনোটো ধাৰায়ে দীৰ্ঘজীৱী নহয়।
- অৰুণোদই যুগৰ অসমীয়া গদ্যকাৰসকলক গদ্যৰ আলোচনা প্ৰসঙ্গত খ্ৰীষ্টিয়ান গদ্যকাৰ আৰু অখ্ৰীষ্টিয়ান গদ্যকাৰ —এই দুই শ্ৰেণীত ভাগ কৰি আলোচনা আগবঢ়াই নিব পাৰি।
- আধুনিক অসমীয়া গদ্যৰ বিকাশত মূলতঃ দুটা ধাৰা চিনাক্ত কৰিব পাৰি। এটা অৰুণোদই সংবাদ-পত্ৰত ব্যৱহৃত গদ্যৰীতি বা মিছনেৰীসকলৰ শৈলী আৰু আনটো *অৰুণোদই* বহির্ভুত গদ্যৰীতি।
- আধুনিক অসমীয়া গদ্য পোনপ্ৰথমে আনন্দৰাম ঢেকিয়াল ফুকনৰ হাততগঢ় লয় আৰু পৰৱৰ্তী সময়ত গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ ৰচনাত এই গদ্যই বিকাশ আৰু পৰিপক্কতা লাভ কৰে।



৫.৫ অধিক জানিবলৈ

1] কটকী, প্রফুল্ল (1999) ঃ *ক্রমবিকাশত অসমীয়া কথা শৈলী*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

2] কোঁৱৰ, অপর্ণা (2010) ঃ *প্রাচীন অসমীয়া গদ্যশৈলী*; গুৱাহাটী ঃ বনলতা।

3] গগৈ, লীলা (1990) ঃ *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*; ডিব্রুগড় ঃ ষ্টুডেণ্টছ এম্পৰিয়াম।

4] গোস্বামী, গোলোকচন্দ্র (2010) ঃ *অসমীয়া আখৰজোঁটনিৰ সমীক্ষা*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

5] গোস্বামী, সুৰেন (1995) ঃ *অসমীয়া গদ্য সাহিত্য*; মির্জা ঃ দ্যোনী প্রকাশন।

6] চৌধুৰী, প্রসেনজিৎ (1995) ঃ *অৰুণোদই*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'র্ছ।

7] তালুকদাৰ, নন্দ (1975) ঃ *সম্বাদ-পত্রৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য*; গুৱাহাটী ঃ বৰুৱা এজেন্সি।

8] দুৱৰা, সপোন (2004) ঃ *ভাষা আৰু শৈলী*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'র্ছ।

9] নেওগ, মহেশ্বৰ (সংক.) (2008) ঃ *অৰুণোদই* (একত্র সঙ্কলন); গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

10] নেওগ, মহেশ্বৰ (1986) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; ডিব্রুগড় ঃ বাণী মন্দিৰ।

11] ফুকন পাটগিৰি, দীপ্তি (1997] ঃ *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙণি* (প্রথম প্রকাশ); গুৱাহাটী ঃ বনলতা।

12] ফুকন, প্রসন্ন কুমাৰ (1996) ঃ *অসমৰ সম্বাদ-পত্রৰ সমীক্ষাত্মক অধ্যয়ন*; দেৱগাঁওঁ ঃ মধু প্রকাশ।

13] বৰুৱা, পৱন কুমাৰ (সং.) (1991) ঃ *অৰুণোদই আৰু আনন্দৰামৰ গদ্য*; গুৱাহাটী ঃ চাৰু প্রকাশন।

14] বৰুৱা, বিৰিঞ্চি কুমাৰ (1998) ঃ *অৰুনোদইৰ ধলফাট*; যোৱহাটঃ অসম সাহিত্য সভা।

15] ভট্টাচার্য্য, বসন্ত কুমাৰ (1993) ঃ *সদৰামীনৰ আত্মজীৱনী*; নলবাৰী ঃ জার্ণাল এম্পৰিয়াম।

16] ভৰালী, শৈলেন (1992) ঃ *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*; টিহু ঃ চন্দ্র প্রকাশ।

17] ভূঞা, যোগেন্দ্র নাৰায়ণ (1992) ঃ *অসমীয়া লৰাৰ মিত্র*; উত্তৰ গুৱাহাটী ঃ এবিলেক।

18] ভূঞা, স্মৃতিৰেখা (2013) ঃ *অসমীয়া গদ্যৰীতি*; গুৱাহাটী ঃ বৃষ্টি প্রকাশন।

19] শইকীয়া, চন্দ্রপ্রসাদ (1998) ঃ *অসমৰ বাতৰিকাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস*; গুৱাহাটী ঃ ট্রিবিউন প্রেছ।

20] শর্মা, বাণীকান্ত (1981) ঃ *অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান*; যোৱহাট ঃ অসম সাহিত্য সভা।

21] শর্মা, সত্যেন্দ্রনাথ (2004)ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, গুৱাহাটী ঃ প্রতিমা দেৱী।

22] শর্মা দলৈ, হৰিনাথ (1992) ঃ *অসমীয়া গদ্য সাহিত্যৰ গতিপথ*, বৰপেটা ঃ পদ্মপ্রিয়া লাইব্রেৰী।



৫.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অসমত বৃটিছ আগমনৰ পূর্বে থকা সামাজিক-ৰাজনৈতিক অস্থিৰতাৰ কথা উল্লেখ কৰি বৃটিছ আগমনৰ পিছত সৃষ্টি হোৱা ভাষা সঙ্কটৰ বিষয়ে লিখিব লাগিব। এই সংকট মোচনৰ বাবে মিছনেৰী আৰু শিক্ষিত অসমীয়া ডেকাই লোৱা পদক্ষেপৰ ফলস্বৰূপে কিদৰে আধুনিক অসমীয়া গদ্যৰ জন্ম হ'ল সেই কথা লিখিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ মণিৰাম বৰভাণ্ডাৰ বৰুৱাৰ গদ্যত থকা ভাষিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ মণিৰাম বৰভাণ্ডাৰ বৰুৱা, হৰকান্ত মজিন্দাৰ বৰুৱা আদি গদ্যকাৰসকলৰ ৰচনাত থকা ভাষিক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ নাথান ব্রাউনৰ ৰচনাসমূহৰ ভাষিক বৈশিষ্ট্য আৰু শৈলী সম্পর্কে উদাহৰণসহ আলোচনা কৰিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ নিধি লিবাই ফাৰোৱেলৰ গদ্যৰ বৈশিষ্ট্যসমূহ উদ্ধৃতিসহ আলোচনা কৰিব লাগিব।

৬নং প্রশ্নৰ উত্তৰ ঃ মিছনেৰীসকলৰ আখৰ জোঁটনি আৰু আনন্দৰামৰ আখৰ জোঁটনিৰ পার্থক্য তথা গদ্যসমূহৰ গঠন আলোচনা কৰিব লাগিব।

৭নং প্রশ্নৰ উত্তৰ ঃ গুণাভিৰাম বৰুৱাৰ গদ্যৰ ভাষাতাত্ত্বিক দিশসমূহ আৰু গদ্যৰ বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰিব লাগিব।



৫.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ আধুনিক অসমীয়া গদ্যৰ জন্ম আৰু ক্রমবিকাশ সম্পর্কে থূলমূলকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ অৰুণোদই যুগৰ গদ্যকাৰসকলক কি কি শ্রেণীত ভাগ কৰিব পাৰি? দুয়ো শ্রেণীৰ গদ্যকাৰসকলৰ গদ্যৰ বিশেষত্ববোৰ ফঁহিয়াই আলোচনা কৰক।

প্রশ্ন ৩ ঃ প্রাক্-অৰুণোদই স্তৰৰ গদ্যকাৰসকলৰ গদ্যৰ বিশেষত্বসমূহ কি কি? উদাহৰণসহ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ 'অৰুণোদই সংবাদ-পত্রৰ গদ্যশৈলী' —উক্ত শিতানত এক প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্য সন্দর্ভত এটি নাতিদীর্ঘ সমালোচনা আগবঢ়াওক।

প্রশ্ন ৬ ঃ অসমীয়া গদ্যৰ ক্রমবিকাশত গুণাভিৰাম আৰু হেমচন্দ্রৰ অৱদান সম্পর্কে এটি প্ররন্ধ যুগুত কৰক।

প্রশ্ন ৭ ঃ অসমীয়া গদ্যৰ ইতিহাসত খ্রীষ্টিয়ান মিছনেৰীসকলৰ অৱদানৰ বিষয়ে খৰচি মাৰি আলোচনা আগবঢ়াওক।

প্রশ্ন ৮ ঃ অৰুণোদই যুগৰ প্রতিটো স্তৰৰ অসমীয়া গদ্যৰ বিশেষত্বসমূহ ফঁহিয়াই আলোচনা কৰক।

*** **** ***